सत्यमेव जयते

অসমৰ মহামান্য ৰাজ্যপাল

# শ্ৰী জানকী বল্লভ পাটনায়কৰ ভাষণ

## বাজেট অধিবেশন

অসম বিধান সভা

১ মাৰ্চ, ২০১২

অসম বিধান সভাৰ সন্মানিত অধ্যক্ষ মহোদয় আৰু মাননীয় সদস্যবৃন্দ,

অসম বিধান সভাৰ ২০১২ বৰ্ষৰ মাৰ্চ অধিবেশনৰ সময়ছোৱাতএই পবিত্ৰ সদনক সম্বোধন কৰিবলৈ পাই মই সুখী । এই সুযোগতে মই আপোনালোক আটাইলৈকে মোৰ শুভেচ্ছাও জনালো । মই এতিয়া আপোনালোকৰ আগত মোৰ চৰকাৰৰ নীতি আৰু আঁচনি সমূহ উত্থাপন কৰিম । মোৰ বিশ্বাস আমাৰ যৌথ প্ৰচেষ্টাই অসমক শান্তি আৰু প্ৰগতিৰ পথত আগুৱাই নিব ।

বিগত দশকটোৰ সময়ছোৱাত অসমত বৃহৎ পৰিৱৰ্ত্তন পৰিলক্ষিত হৈছে । কেইবাটাও উগ্ৰপন্থী গোটৰ আত্মপ্ৰকাশৰ লগে লগে নিৰাপত্তামূলক দৃশ্যপটৰো উল্লেখযোগ্য উন্নতি ঘটিছে । এইয়া এতিয়া সাধাৰণ উপলব্ধি হৈ পৰিছে যে হিংসাই কোনো সমাধান দিব নোৱাৰে কেৱল গণতান্ত্ৰিক প্ৰক্ৰিয়াত জড়িত হোৱাৰ দ্বাৰাহে বিভিন্ন গোটৰ আশা- আকাংখ্যা পূৰণ হোৱাটো সম্ভৱ । চৰকাৰে জনসাধাৰণৰ বাবেহে যে কাম কৰি আছে আৰু জনসাধাৰণৰ সৰ্ব্বাঙ্গীন ভালৰ বাবেহে কৰি আছে এইয়া তেনে উপলব্ধিৰহে অনুভূত ফল । মই নিশ্চিত যে এতিয়াও আগুৱাই নহা উগ্ৰপন্থী গোটবোৰে অসমৰ ৰাইজৰ আবেগ-অনুভূতিৰ কথা বুজি উঠিব আৰু অসমৰ উন্নয়নৰ পৰিসৰ বৃদ্ধিৰ অৰ্থে এক কামত অহা পৰিস্থিতিৰ সৃষ্টি কৰাৰ বাবে আগুৱাই আহিব ।

সেই একে সময়ছোৱাৰ ভিতৰত ৰাজ্যখনৰ আৰ্থিক সম্পদৰো উল্লেখযোগ্য বৃদ্ধি ঘটিছে । কৰ উৎসৰ সম্প্ৰসাৰণ আৰু কৰ পৰিশোধ ব্যৱস্থা উন্নীতকৰাৰ জৰিয়তে বুজন পৰিমাণৰ উৎস সৃষ্টি কৰিব পৰা হৈছে । ২০০০-০১ চনৰ পৰিকল্পনাৰ ১৫২১.২৮ কোটি টকাৰ বিপৰীতে ২০১১-১২ চনৰ পৰিকল্পনাত ৯০০০ কোটি টকা ধাৰ্য্যৰে ৰাজ্যখনৰ পৰিকল্পনা আকাৰটোও বহুল পৰিমাণে বৃদ্ধি কৰা হৈছে । এছীয় উন্নয়ন বেংক, জাপান আন্তঃৰাষ্ট্ৰীয় সমবায় অভিকৰণ (জে আই চি এ) আৰু বিশ্ব বেংকৰ লেখীয়া সংস্থাসমূহৰ পৰা পুঁজি আহৰণৰ বাবে বহুমুখী মাধ্যম খোলা হৈছে । এই বৰ্দ্ধিত সম্পদেৰে অসমৰ ক্ষীপ্ৰ আৰু ব্যাপক উন্নয়নৰ বাবে কেইবাখনো আঁচনি আৰু কাৰ্য্যসূচী হাতত লোৱা

হৈছে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বিকাশ নিৰিখ উৰ্দ্ধগামী হোৱাৰ সেইয়া আছিল কেতবোৰ উল্লেখযোগ্য কাৰণ; যিটো নিৰিখ ১৯৯৬-৯৭ ৰ পৰা ২০০১-০২ চনৰ নৱম পৰিকল্পনাৰ গড় বিকাশ নিৰিখ ১.৯৭%ৰ বিপৰীতে চলিত বৰ্ষত ৮% বা অধিক হোৱাৰ আশা কৰা হৈছে।

মোৰ চৰকাৰে শান্তি আৰু বিকাশৰ প্ৰচেষ্টাসমূহ অব্যাহত ৰখাৰ লগতে একে সময়তে অসমৰ পৰিবৰ্তিত অৰ্থনৈতিক আৰু নিৰাপত্তামূলক অৱস্থাটো স্থায়ী আৰু দীৰ্ঘকালীন হোৱাটো নিশ্চিত কৰাৰ বাবে কাৰ্য্য-ব্যৱস্থা লব। অৰ্থনৈতিক বিকাশটো সামগ্ৰীক কৰি তোলা আৰু উন্নয়নৰ ফল সমন্যায়ৰ ভিত্তিত উপলব্ধ কৰোৱাটো চৰকাৰে নিশ্চিত কৰিব। ইয়াৰ বাবে জনসাধাৰণৰ সামৰ্থ্য বৃদ্ধি কৰা আৰু তেওঁলোকক নিয়োজনযোগ্য কৰি তোলাটো আৱশ্যকীয়। সামৰ্থ্য বৃদ্ধিৰ বাবে কেৱল স্বাস্থ্য আৰু শিক্ষাখণ্ডত জোৰ দিলেই ন'হব; নিয়োজিতকৰণ উন্নীত কৰাৰ বাবে বিস্তৃত হাৰত দক্ষতা উন্নয়ন কাৰ্য্যসূচীও হাতত লব লাগিব। ৰাজ্যখনত শক্তিশালী উদ্যোগিক সংস্কৃতি গঢ়ি তোলাৰ অৰ্থে সৰ্বাত্মক প্ৰচেষ্টা গ্ৰহণৰ প্ৰয়োজনীয়তাও আছে। মোৰ চৰকাৰ ইয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু সেয়ে কোনো লোক যাতে ভোকাতুৰ হৈ থাকিব নালাগে আৰু কোনো লোক যাতে স্বাস্থ্য আৰু শিক্ষাৰ সা-সুবিধাৰ পৰাও বঞ্চিত নহয় সেইয়া নিশ্চিত কৰাৰ অৰ্থে চৰকাৰে ইয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিব।

উপলব্ধকৰণ পদ্ধতিটো যদি শক্তিশালী কৰা নহয়, তেনেহলে উন্নয়ন আৰু সু-প্ৰশাসনৰ বাবে কেৱল উত্তম অভিপ্ৰায় যে যথেষ্ট নহয় তাৰ প্ৰতি মোৰ চৰকাৰ সজাগ। এই উদ্দেশ্য সাধনৰ বাবে চৰকাৰে বিশেষকৈ গাঁও অঞ্চলৰ প্ৰশাসনীয় যন্ত্ৰটো অধিক শক্তিশালী কৰিব লাগে আৰু গ্ৰামাঞ্চলৰ সেৱা অধিকতৰ উন্নত কৰাৰ বাবে 'অসম গ্ৰাম্য সেৱা' সৃষ্টি কৰিব লাগে। এক স্বচ্ছ, সহাঁৰিপূৰ্ণ আৰু দূৰ্নীতিমুক্ত প্ৰশাসনৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই উদ্দেশ্যে চৰকাৰে ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ কাৰ্যসূচীখন পুনৰুজ্জীৱিত কৰিব। চৰকাৰী বিভাগ সমূহৰ পাৰদৰ্শিতাৰ মূল্যাংকণ আৰু বিভিন্ন চৰকাৰী আঁচনি আৰু কাৰ্যসূচীৰ সামাজিক পৰীক্ষণত উদগণি দিয়াৰ অৰ্থে চৰকাৰে ঠাইতে যথাযথ পদ্ধতিৰ ব্যৱস্থা কৰিব। জবাবদিহিতাৰ স্বাৰ্থতে বৰ্ত্তমানে থকা ব্যৱস্থাৱলীসমূহ শক্তিশালী কৰি তোলাৰ বাবেও চৰকাৰে উপযুক্ত ব্যৱস্থা হাতত লব। অসমত এখন বিধান পৰিষদ



গঠন কৰা হ'ব।

## আইন আৰু শৃংখলা পৰিস্থিতি ঃ

সক্ৰিয় উগ্ৰপন্থী গোটবোৰৰ বিৰুদ্ধে গ্ৰহণ কৰা স্থায়ী প্ৰতিৰোধ অভিযান, আলোচনাৰ জৰিয়তে নিষ্পত্তি বিচৰা গোটসমূহৰ বাবে আগবঢ়োৱা শান্তি প্ৰস্তাৱ আৰু বিপথে পৰিচালিত যুৱকৰ পুনৰ সংস্থাপনৰ লেখীয়া চৰকাৰে গ্ৰহণ কৰা বহুমুখী ব্যৱস্থাবোৰে সুন্দৰ ফল দিছে; যাৰ বাবে কে এল এন এল এফ, ডি এইচ ডি (এন), ডি এইচ ডি (জে), এন ডি এফ বি(পি), এ চি এম এ, বি চি এফ আৰু চেয়াৰমেন অৰবিন্দ ৰাজখোৱা নেতৃত্বাধীন আলফাৰ লেখীয়া বিভিন্ন উগ্ৰপন্থী গোটৰ সৈতে অভিযান স্থগিতকৰণ চুক্তি স্বাক্ষৰিত হৈছে। ইউ পি ডি এচ য়েও সমাধানৰ চুক্তিত চহী কৰিছে আৰু তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰিছে। এন ডি এফ বি (আৰ ডি) য়েও ১ আগষ্ট, ২০১১ তাৰিখৰ পৰা অনিৰ্দ্দিষ্ট কাললৈ কুটাঘাটী কাৰ্য্য-কলাপ বন্ধ ৰখাৰ ঘোষণা কৰিছে। এক বৃহৎ ঘটনাক্ৰমে আলোচনাৰ জৰিয়তে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ ইচ্ছা প্ৰকাশ কৰি এ চি এম এ, বি চি এফ, এ এ এন এল এ, এচ টি এফ, এ পি এ, কে এল ও, ইউ কে ডি এ, কে আৰ এ আৰু এইচ পি চি (ডি) আদি নটা উগ্ৰপন্থী গোটে যোৱা ২৪ জানুৱাৰী, ২০১২ তাৰিখে আনুষ্ঠানিকভাবে তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰসমূহ সম্বৰণ কৰে। মোৰ চৰকাৰ আশাবাদী যে, পৰেশ বৰুৱা নেতৃত্বাধীন আলফা (আলোচনাবিৰোধী) গোটেও হিংসাৰ পথ পৰিহাৰ কৰি আলোচনাৰ মাধ্যমেৰে তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে আগবাঢ়ি আহিব।

সন্দেহজনক ভোটাৰৰ বিষয়টো মোৰ চৰকাৰৰ বাবে উদ্বেগৰ কাৰণ কিয়নো তেওঁলোকৰ এক বৃহৎ সংখ্যক লোক যে প্ৰকৃত ভাৰতীয় সেইয়া পৰৱৰ্ত্তীভাৱে ওলাই পৰিছে। যিসকল এনে প্ৰকৃত ভাৰতীয়ক আগতে সন্দেহজনক ভোটাৰ হিচাপে চিনাক্ত কৰা হৈছিল তেওঁলোকে যাতে ভোটাধিকাৰকে ধৰি নাগৰিকৰ সকলো অধিকাৰ ভোগ কৰাৰ অনুমতি পায় তাৰ বাবে পদক্ষেপ লোৱা হ'ব। ৰাজ্যিক আৰক্ষী বাহিনীক আধুনিক অস্ত্ৰ-শস্ত্ৰ, উন্নত নিৰাপত্তা আৰু অন্যান্য সৰঞ্জাম আৰু সুচল যোগাযোগ ব্যৱস্থাৰে সজ্জিত কৰি আধুনিক কৰি গঢ়ি তোলাৰ বাবে মোৰ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। গোচৰ পঞ্জীয়নৰ পৰা আৰম্ভ কৰি অনুসন্ধান সম্পূৰ্ণ হোৱালৈকে সমগ্ৰ ফৌজদাৰী প্ৰশাসন

ব্যৱস্থাটোক একত্রিত কৰাৰ অৰ্থে এটা অপৰাধ আৰু অপৰাধী চিনাক্তকৰণ নেটৱৰ্ক পদ্ধতি প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। অহা বছৰৰ ভিতৰত তিনিখন নতুন আৰক্ষী থানা আৰু পাঁচটা নতুন আৰক্ষী চকী স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। আৰক্ষী আৰু নাগৰিকৰ সহযোগিতাৰ উন্নীতকৰণ আৰু আৰক্ষীক ৰাইজৰ প্ৰতি অধিক বন্ধুত্বসুলভ কৰি তোলাৰ বাবে কাৰ্য্য ব্যৱস্থা লোৱা হ'ব।

### অসম চুক্তি ৰূপায়ণ ঃ

অসম চুক্তিৰ ক্ষীপ্ৰ ৰূপায়ণৰ প্ৰতি মোৰ চৰকাৰ দায়বদ্ধ। ১৯৭১ চনলৈকে ভোটাৰ তালিকাত নাম থকা লোকসকল আৰু তেওঁলোকৰ সতি-সন্ততিৰ নাম অন্তৰ্ভুক্তিৰে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, ১৯৫১ খন উন্নীতকৰণৰ প্ৰক্ৰিয়া এই চৰকাৰে প্ৰথমে আৰম্ভ কৰিছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী, ১৯৫১ খন উন্নীতকৰাৰ সময়ত কোনো প্ৰকৃত ভাৰতীয় নাগৰিক যাতে হাৰাশাস্তিৰ সমুখীন নহয় আৰু উন্নীত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীখনত যাতে কোনো বিদেশী লোকৰ নামো নোসোমায় সেই কথাও আমি নিশ্চিত কৰিম। মোৰ চৰকাৰে ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ ক্ষেত্ৰত দেখা দিয়া জটিলতাসমূহ পৰীক্ষা কৰি চোৱাৰ অৰ্থে আৰু অসম চুক্তিৰ ৬ নং দফা ৰূপায়ণ সম্পৰ্কীয় বিষয়সমূহ পৰীক্ষা কৰি চোৱাৰ অৰ্থে এখন কেবিনেট উপসমিতি গঠন কৰিছে। এই কেবিনেট উপসমিতিখনে বৰ্ত্তমান ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ সম্পৰ্কীয় বিষয়সমূহ পৰীক্ষা কৰি আছে আৰু ইয়াৰ দায়িত্বত থকা লোকসকলৰ সৈতে আলোচনা কৰি আছে। মোৰ চৰকাৰে লগতে অসম-বাংলাদেশ সীমান্তত থকা অসুৰক্ষিত নৈপৰীয়া এলেকাসমূহৰ মাজেৰে হৈ থকা প্ৰব্ৰজনক প্ৰতিৰোধ কৰিবলগীয়া বিষয়সমূহো পৰীক্ষা কৰাৰ অৰ্থে আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থাত অনুমোদন জনাবলৈ এখন সমিতি গঠন কৰিছে। এই সমিতিখনে বৰ্ত্তমান এই বিষয় সমূহৰ ওপৰত চিন্তা-চৰ্চা কৰি আছে।

বিদেশী চিনাক্তকৰণ আৰু বহিস্কৰণৰ বাবে ৰাজ্যখনত ৩৬ খন বিদেশী ন্যায়াধিকৰণে কাম কৰি আছে। অসম চৰকাৰৰ গড়কাপ্তানি বিভাগে তিনিখন দলঙক বাদ দি ভাৰত-বাংলাদেশ সীমান্তৰ পথ আৰু কাঁটাতাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰি তুলিছে। এই দলং তিনিখনৰো কাম সোনকালে সম্পূৰ্ণ হৈ উঠিব। মোৰ চৰকাৰে ভাৰত-বাংলাদেশ সীমান্তৰ পথ আৰু কাঁটাতাৰৰ বেৰ নিৰ্মাণৰ কাম আৰু লগতে সেই এলেকাসমূহত অতি



সোনকালে যাতে ফ্লাড লাইটৰ ব্যৱস্থা কৰা হয় তাৰ বাবে কেন্দ্ৰীয় অভিকৰণসমূহৰ সৈতে যোগাযোগ কৰি আছে। অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ কীৰ্তিস্তম্ভসমূহ আৰু সত্ৰসমূহৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ৰ তৃতীয় পৰ্যায় (অংশ-১)ৰ আধুনিকীকৰণৰ কাম চলি আছে। এক সেউজীয়া পথাৰ কাগজ প্ৰকল্প স্থাপনৰ জৰিয়তে অশোক কাগজ কল পুনৰ উজ্জীৱিতকৰণৰ প্ৰস্তাৱ লোৱা হৈছে।

### কৃষি আৰু উদ্যান শস্য

মোৰ চৰকাৰে কৃষি উন্নয়নৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। অসমে ২০১০-১১ বৰ্ষত অভিলেখ পৰিমাণৰ ৫০.৮৬ লাখ মেট্ৰিকটন ধান উৎপাদন কৰিছে— যিটো ২০০৯-১০ বৰ্ষৰ ৪৪.০৮ লাখ মেট্ৰিকটন ধান উৎপাদনতকৈ ১৫.৮ শতাংশ অধিক। ভাৰত চৰকাৰে ২০১০-১১ বৰ্ষত সমগ্ৰ দেশতে ধান উৎপাদনৰ ক্ষেত্ৰত অসমক সৰ্বোৎকৃষ্ট ৰাজ্য হিচাপে ঘোষণা কৰিছে। খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰটো অসমক ২য় শ্ৰেণীৰ ৰাজ্যসমূহৰ ভিতৰত সৰ্বোৎকৃষ্ট ৰাজ্য হিচাপে পুৰস্কৃত কৰা হৈছিল। ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে নতুন দিল্লীত ২০১১ চনৰ ১৬ জুলাই তাৰিখে অসমৰ মুখ্যমন্ত্ৰীক নগদ ধন, বঁটা আৰু এখন প্ৰশস্তিপত্ৰেৰে পুৰস্কৃত কৰে।

কৃষিখণ্ডটোক শক্তিশালী কৰাৰ অৰ্থে কেবাখনো আঁচনি হাতত লোৱা হৈছে। গুৱাহাটী মহানগৰৰ আশে-পাশে শাক-পাচলিৰ উৎপাদন বৃদ্ধি কৰাৰ অৰ্থে এখন বিশেষ আঁচনি হাতত লোৱা হৈছে। আঁচনিখনৰ নাম হৈছে— নগৰ এলেকাৰ বাবে শাক-পাচলিৰ উৎপাদন আঁচনি। পূব ভাৰতলৈ সেউজ বিপ্লৱ অনাৰ বাবে হাতত লোৱা আঁচনিখনৰ ৰূপায়ণৰ কাম পূৰ্ণোদ্যমে চলি আছে। খাদ্য নিৰাপত্তা সুনিশ্চিত কৰাৰ অৰ্থে অসমত খাদ্য শস্যৰ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে। কৃষক আৰু কৃষি উৎপাদক সন্থা/সমিতিসমূহে যাতে তেওঁলোকে উৎপাদন কৰা খাদ্য শস্যৰ উচিত মূল্য লাভ কৰে তাৰ বাবে সাহায্য আগবঢ়োৱা হ'ব। প্ৰযুক্তি প্ৰদৰ্শনৰ জৰিয়তে উৎকৃষ্ট অনুশীলনৰ সম্প্ৰসাৰণ, উন্নত মানবিশিষ্ট বীজ আৰু অন্যান্য মূলধন ইত্যাদিক উৎসাহিত কৰাৰ কাম অব্যাহত থাকিব।

ভাৰতীয় খাদ্য নিগমে ২০১০-১১ বৰ্ষত কৃষকৰ পৰা ২৩,২৮২ মেট্ৰিক টন ধান ক্ৰয় কৰিছে। মোৰ চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে আৰু অধিক ধান ক্ৰয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ২০১১-১২ বৰ্ষত ৰাজ্যখনে হেক্টৰে প্ৰতি ০.৯০ এইচ পি পাম ক্ষমতা লাভ কৰাৰ সম্ভাৱনা আছে। একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ৰাজ্যখনে ২০০,২৯৫ টা পাম্পছেট স্থাপন কৰে আৰু ৪২৪০ খন টেক্টৰ, ১২৯৩৯ টা

পাৰ্বাৰ টিলাৰ আৰু বেচা-কিনাৰ বাবে ৯১২ খন অট'ভান ক্ৰয় কৰিবলৈ চৰকাৰী সাহায্য আগবঢ়ায়। কৃষিঋণ আগবঢ়োৱাৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। ২০১১ চনৰ ডিচেম্বৰ মাহলৈকে যোৱা বছৰ প্ৰদান কৰা ১,৬৩,০৬৩ খন কিষাণ ক্ৰেডিট কাৰ্ডৰ বিপৰীতে ২,৪৪,৪৫৭ খন কিষাণ ক্ৰেডিট কাৰ্ড প্ৰদান কৰা হৈছে।

উদ্যান কৃষিয়ে মুঠ শস্য উৎপাদন এলেকাৰ প্ৰায় ১৪% এলেকা অধিকাৰ কৰি আছে আৰু অসমত ইয়াৰ ভাল সম্ভাৱনীয়তা আছে। মোৰ চৰকাৰে ভোট জলকীয়া, কাঠফুলা, আদা, কাজু বাদাম, হালধি, ফুল, কপৌফুল আৰু ঔষধি গছ-গছনিৰ নিচিনা উচ্চমান বিশিষ্ট শস্য সমূহৰ উৎপাদনৰ ওপৰত গুৰুত্ব প্ৰদানৰ কাম অব্যাহত ৰাখিব। সুৰক্ষিত খেতিৰ আধুনিক কৌশলসমূহক উৎসাহিত কৰা হ'ব। নাৰিকল আৰু বাঁহখেতিৰ সম্প্ৰসাৰণ আৰু অগৰ খেতিৰ বাবে গুৰুত্ব প্ৰদান কৰা হ'ব। কৃষি প্ৰক্ৰিয়াকৰণৰ সুবিধাসমূহক উৎসাহ জনোৱাৰ অৰ্থে প্ৰচেষ্টা হাতত লোৱা হ'ব। কৃষকসকলৰ কল্যাণৰ বাবে বজাৰ আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰা হ'ব। কৃষি-উদ্যান কৃষিৰ উৎপাদনসমূহ বেচা-কিনাৰ বাবে অটোভান যোগান ধৰাৰ আঁচনিখনৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। কৃষি-উদ্যান কৃষি খণ্ডত যুৱক-যুৱতীসকলক প্ৰশিক্ষণ দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হ'ব।

**জলসিঞ্চন**

কেইবাখনো বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে ৭.৯৭ লাখ হেক্টৰ ভূমিৰ এটা এলেকাক জলসিঞ্চনৰ অধীনলৈ অনা হৈছে। ইয়াৰে ২.৪৪ লাখ হেক্টৰ ভূমিত ৫ টা বৃহৎ আৰু ১১ টা মজলীয়া জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে আৰু ৫.৫৩ লাখ হেক্টৰ ভূমিত ১,২৪২ টা ক্ষুদ্ৰ জলসিঞ্চন প্ৰকল্প সম্পূৰ্ণ কৰা হৈছে। জলসিঞ্চনৰ অধীনত আৰু অধিক এলেকাক সামৰি লোৱাৰ অৰ্থে ত্বৰান্বিত জলসিঞ্চন কল্যান আঁচনি (এ.আই.বি.পি), কমাণ্ড এলেকা উন্নয়ন আৰু জল ব্যৱস্থাপনা আঁচনি (চি এ ডি ডব্লিউ এম), অসম বিকাশ যোজনা, নাবাৰ্ড (আৰ আই ডি এফ) অপৰিশোধেয় কেন্দ্ৰীয় সম্পদৰ উৎস (এন এল চি পি আৰ), উত্তৰ-পূব পৰিষদ আৰু ৰাজ্যিক পৰিকল্পনাৰ অধীনত লাভ কৰা পুঁজিৰে বৰ্তমান বিভিন্ন প্ৰকল্প ৰূপায়ণৰ কাম চলি আছে। উপকৃত কৃষকসকলৰ পৰা জলসিঞ্চন সেৱাৰ মাচুল আদায় কৰাৰ এটা ব্যৱস্থা আছে আৰু ইতিমধ্যে সম্পূৰ্ণ হৈ উঠা জলসিঞ্চন প্ৰকল্পসমূহৰ সাধাৰণ চোৱা-চিতা আৰু মেৰামতিৰ বাবে পৰিকল্পনা বহিৰ্ভূত বাজেটত পুঁজিৰ আবণ্টন দিয়া হৈছে।

**পশুপালন আৰু পশুচিকিৎসা**

নিয়োগ সৃষ্টিৰ জৰিয়তে কৃষকসকলৰ আয় বৃদ্ধিত আৰু জনসাধাৰণলৈ প্ৰোটিন ভিত্তিক উৎপাদন সামগ্ৰী যোগান ধৰাত পশুপালন আৰু দুগ্ধ উন্নয়নে এটা অতি গুৰুত্বপূৰ্ণ



ভূমিকা গ্ৰহণ কৰি আছে। মোৰ চৰকাৰে পশুধনৰ উন্নীতকৰণ, পশুস্বাস্থ্যৰ চিকিৎসা সেৱাৰ উন্নয়ন সাধন, পশুখাদ্যৰ উন্নয়ন আৰু সকলো দায়িত্ববাহী লোকৰ দক্ষতা বৃদ্ধিৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। এ.আই. কেন্দ্ৰৰ সংখ্যা কৃত্ৰিম বীৰ্যস্থাপনেৰে ৫৫৩ টাৰ পৰা ২০১০-১১ বৰ্ষত ১২৭৫ টালৈ বৃদ্ধি পাইছে আৰু তাৰ পাছত এই সংখ্যা ২.৫ লাখ টালৈ বৃদ্ধি পাইছে। গুণগত পশুখাদ্যৰ প্ৰাচুৰ্যতা বৃদ্ধি কৰাৰ অৰ্থে ৩৩৬০ মেট্ৰিকটন সেউজীয়া পশুখাদ্য উৎপাদন কৰি ৭০০০ হেক্টৰ ভূমিক পশুখাদ্যৰ খেতি কৰা এলেকাৰ অধীনলৈ অনা হৈছে। সকলো দায়িত্ববাহী লোকৰ দক্ষতা বৃদ্ধিৰ বাবে কামৰূপ (মহানগৰ) জিলাৰ ৰাণীত পশুধন ঔদ্যোগিক ব্যৱস্থাপনাৰ আঞ্চলিক প্ৰতিষ্ঠানখন স্থাপন কৰিবলৈ লোৱা হৈছে। ৰাজ্যখনত পশু চিকিৎসা সম্প্ৰসাৰণৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ অৰ্থে ১০১ খন পশু চিকিৎসাৰ হাস্পতাল আৰু ডিছপেনচাৰী নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। পশুস্বাস্থ্য সেৱাৰ ক্ষেত্ৰত চিকিৎসা সেৱা ঘৰতে লাভ কৰাৰ অৰ্থে ২০ খন জিলাত ২৬ খন ভ্ৰাম্যমাণ এম্বুলেটৰী ভানৰ কাম আৰম্ভ কৰা হৈছে। দুগ্ধ উৎপাদনৰ খণ্ডটোক সহায় কৰাৰ অৰ্থে পশুধন বীমা আঁচনিৰ অধীনত ছয়খন জিলা সামৰি লোৱা হৈছে।

অসমত দুগ্ধ উন্নয়ন বিভাগে গ্ৰাম্য দুগ্ধ উৎপাদকসকলৰ অৰ্থনৈতিক বিকাশৰ উদ্দেশ্যে আৰু চহৰৰ গ্ৰাহকসকলক উচিত মূল্যত গুণগত মানৰ গাখীৰ যোগান ধৰিবলৈ লক্ষ্য লৈছে। বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্পৰ অধীনত দুগ্ধ পালকসকলক দুগ্ধ সমবায় সমিতি (ডি চি এছ) সমূহলৈ সংগঠিত কৰা হৈছে আৰু তেওঁলোকৰ সামৰ্থ্য বৃদ্ধি কৰিবলৈ তথা তেওঁলোকক অধিক প্ৰতিযোগিতামূলক আৰু অৰ্থনৈতিকভাৱে সক্ষম কৰাৰ উদ্দেশ্যে সকলো ধৰণৰ সা-সুবিধা আগবঢ়োৱা হৈছে। এতিয়ালৈকে ৪৯৪ খন দুগ্ধ সমবায় সমিতি আৰু ৩০০ টা দুগ্ধ উৎপাদক প্ৰতিষ্ঠান গঠন কৰা হৈছে। বিশ্ববেংক প্ৰকল্পৰ অধীনত গাখীৰ উৎপাদনকাৰী জিলাসমূহত গাখীৰৰ গড় উৎপাদন ২০০৫ চনত প্ৰতিদিনে হোৱা ১.০৪ লিটাৰৰ পৰা ২০১১ চনত প্ৰতিদিনে ৫.৬৬ লিটাৰলৈ বৃদ্ধি পাইছে। ৰাজ্যখনত দুগ্ধ প্ৰস্তুতকৰণ সামৰ্থ্য ২০০৬-০৭ বৰ্ষত প্ৰতিদিনে হোৱা ১৫,০০০ লিটাৰৰ পৰা ২০১১-১২ বৰ্ষত প্ৰতিদিনে ১,১৫,৫০০ লিটাৰলৈ বৃদ্ধি পাইছে। স্বাস্থ্যসন্মত গাখীৰ উৎপাদন আৰু গাখীৰৰ ব্যৱহাৰৰ উদ্দেশ্যে এখন ব্যাপক সজাগতা আঁচনি আৰম্ভ কৰা হৈছে। দহজন উদ্যোগীক পাইলট ব্যৱস্থাত ব্যাৱসায়িক ভিত্তিত দুগ্ধ পাম স্থাপনৰ বাবে সাহায্য আগবঢ়াবলৈ নিৰ্বাচিত কৰা হৈছে।

**মীন**

ৰাজ্যখনত মাছৰ নিশ্চিত চাহিদা আৰু ইয়াত থকা পৰ্যাপ্ত জলসম্পদৰ ব্যাপকতাৰে মীন হৈছে অসমৰ গ্ৰাম্য অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ উপাদান। ইয়াৰ ওপৰত নিৰ্ভৰ কৰা

দুখীয়া লোকসকলৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ এই খণ্ডটোৱে যথেষ্ট সম্ভাৱনীয়তা বহন কৰিছে। ৰাজ্যখনত মাছৰ উৎপাদন বৃদ্ধি কৰিবলৈ কিছুসংখ্যক আঁচনি হাতত লোৱা হৈছে। ২০০৮-০৯ বৰ্ষৰ পৰা ২০১০-১১ বৰ্ষলৈ ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা (আৰ কে ভি ওৱাই)ৰ অধীনত ১,৭২০ হেক্টৰ জলাশয়ৰ উন্নীতকৰণ আৰু ২০০৮-০৯ বৰ্ষৰ পৰা ৬,৫২৮ গৰাকী গৃহিণীক আগবঢ়োৱা প্ৰশিক্ষণৰ আঁচনি ইয়াত চামিল হৈ আছে। প্ৰতিবছৰে প্ৰতি হেক্টৰত পাঁচ টন মিছা মাছ উৎপাদনৰ লক্ষ্যৰে মিছা মাছৰ খেতি প্ৰাৰম্ভণৰ অৰ্থে অসমত পোনপ্ৰথমবাৰৰ বাবে নিৰ্মল পানীত মিছা মাছৰ উৎপাদনৰ ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে। আমাৰ অবিৰত প্ৰচেষ্টাৰ ফলস্বৰূপে মাছৰ উৎপাদন ২০০৭-০৮ বৰ্ষত হোৱা ১.৯০ লাখ মেট্ৰিকটনৰ পৰা ২০১০-১১ বৰ্ষৰ সময়ছোৱাত ২.৩২ লাখ মেট্ৰিকটনলৈ উল্লেখনীয়ভাৱে বৃদ্ধি হৈছে। আলংকৰিক মৎস্য উৎপাদনৰ ক্ষেত্ৰত অসমে যথেষ্ট সম্ভাৱনীয়তা বহন কৰি আছে। ইয়াৰ উন্নতি সাধনৰ অৰ্থে মীন সঞ্চালকালয়ত আলংকৰিক মাছ উৎপাদনৰ বাবে এটা পৃথক কোষ স্থাপন কৰা হৈছে। পানীৰ গুণাগুণ পৰিচালনা, মৎস্য পোনাৰ মানৰ মূল্যায়ন আৰু মাছৰ বেমাৰ নিয়ন্ত্ৰণৰ অৰ্থে এটা ৰাজ্যিক মীন পৰীক্ষাগাৰ স্থাপন কৰা হৈছে।

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন**

গাঁৱৰ দুখীয়া লোকসকলৰ অৱস্থাৰ উন্নতি সাধন কৰিবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু এই উদ্দেশ্যে কিছুসংখ্যক আঁচনি হাতত লোৱা হৈছে। গাঁৱৰ দুখীয়া লোকসকলক কৰ্মসংস্থান আগবঢ়োৱাৰ অৰ্থে আৰু গ্ৰাম্য পথ, কালভাৰ্ট, কৃষি ভূমি সুৰক্ষা বান্ধ ইত্যাদিৰ লেখীয়া গ্ৰাম্য আন্তঃগাঁথনি সৃষ্টি কৰিবলৈ মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতি আইন (এম জি এন আৰ ই জি এ) আঁচনিখনৰ ৰূপায়ণৰ কাম চলি আছে। এই আঁচনিৰ অধীনত জবকাৰ্ডপ্ৰাপ্ত সকলৰ বাবে এই বছৰত এতিয়ালৈকে মজুৰি কৰ্মসংস্থান হিচাপে ২১০ লাখ কৰ্মদিন সৃষ্টি কৰা হৈছে। এম জি - এনৰেগাৰ ৰূপায়ণত জোৰ দিবলৈ ৪,৯৫৪ গৰাকী কাৰিকৰী আৰু পৰিচালনাৰ লগত জড়িত লোকক ঠিকাভিত্তিক সংস্থাপন দিয়া হৈছে। সকলো জিলাকে সামৰি ল'ব পৰাকৈ পৰিচালনা তথ্য ব্যৱস্থাটোক সম্পূৰ্ণ কাৰ্যক্ষম কৰা হৈছে আৰু বেংক তথা ডাক হিচাপৰ জৰিয়তে ৯৫ শতাংশতকৈ অধিক লোকক মজুৰি প্ৰদান কৰি থকা হৈছে। চলিত বৰ্ষত ইন্দিৰা আৱাস যোজনাৰ (আই এ ওৱাই)ৰ অধীনত ১.৬০ লাখ আৱাস গৃহ নিৰ্মাণ কৰা হৈছে।

আত্মসহায়ক গোট (এছ এইচ জি)ৰ জৰিয়তে স্ব-নিয়োজনৰ সুবিধা আগবঢ়াবলৈ আৰু ব্যক্তিগত স্বৰোজগাৰীসকললৈ সুবিধা প্ৰদান কৰাৰ অৰ্থে ৰাজ্যখনত স্বৰ্ণজয়ন্তী



গ্ৰাম স্বৰোজগাৰ যোজনাখন (এছ জি এছ ওৱাই) ৰূপায়ণ কৰি থকা হৈছে। এই আঁচনিৰ অধীনত এতিয়ালৈকে ৰাজ্যখনৰ ১৯৯৯ চনৰ আৰম্ভণিৰ পৰা ২,৫৪,৮৩২ টা আত্মসহায়ক গোট গঠন কৰা হৈছে। ইয়াৰে ১,৬৫,৬১৯ টা মহিলা আত্মসহায়ক গোটৰ ভিতৰত ৮২,৯৭৬ টা আত্মসহায়ক গোটক আৰম্ভণিৰ পৰা বেংক ঋণ আৰু ৰাজসাহায্য প্ৰদান কৰা হৈছে। ইয়াৰ ভিতৰৰে ৭,৩৮৯ টা আত্মসহায়ক গোটক চলিত বৰ্ষত বেংক ঋণ আৰু ৰাজসাহায্য প্ৰদান কৰা হৈছে। পিছৰ বছৰৰ পৰা এই আঁচনিখনক ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান (এন আৰ এল এম)ৰ আৰ্হিত ন ৰূপ দিয়া হ'ব আৰু ইয়াৰ দ্বাৰা প্ৰথম পৰ্যায়ত ৪২ টা উন্নয়ন খণ্ডক সামৰি লোৱা হ'ব। সেইদৰে বাকী থকা উন্নয়ন খণ্ডবিলাক পৰ্যায়ক্ৰমে সামৰি লোৱা হ'ব। ইন্দিৰা গান্ধী বৃদ্ধ পেঞ্চন আঁচনি (আই জি এন অ' এ পি)ৰ অধীনত বৃদ্ধ লোকৰ বয়সৰ সীমা ২০১১ চনৰ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ ৬৫ বছৰৰ পৰা ৬০ লৈ হ্ৰাস কৰা হৈছে, যাৰ ফলত ৰাজ্যখনত অতিৰিক্ত ১.৫৫ লাখ বৃদ্ধ লোক উপকৃত হৈছে। আই জি এন অ' এ পিৰ অধীনত ৮০ বছৰ বয়সীয়া আৰু তাৰ ওপৰৰ বৃদ্ধ পেঞ্চনভোগী লোকক মাহিলি ৫০০ টকাকৈ আগবঢ়োৱা হ'ব। অসমত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালসমূহক চিনাক্তকৰণৰ অৰ্থে আৰ্থ-সামাজিক আৰু জাতি ভিত্তিক লোকপিয়ল চলি আছে।

**সমবায়**

কৃষি, কুটীৰ শিল্প, মীন, গৃহ, প্ৰক্ৰিয়াকৰণ, হস্ততাঁত আৰু হস্তশিল্প খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত সমবায় হ'ল এক গুৰুত্বপূৰ্ণ বাহক। অসমত এই সমবায় সমিতিসমূহৰ কাম-কাজ পুনৰীক্ষণ আৰু শৃংখলাবদ্ধ কৰাৰ কাৰণে মোৰ চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। সমবায় সমিতিসমূহক স্বায়ত্ততা আৰু গণতান্ত্ৰিক কৰাৰ উদ্দেশ্যে অসম সমবায় সমিতি আইন, ২০০৭ খন আগতে প্ৰণয়ন কৰা হৈছে। তদুপৰি মোৰ চৰকাৰ বৈদ্যনাথন কমিটীখনৰ অনুমোদনাৱলীৰ সৈতে সংগতি ৰাখি এই আইনখন সংশোধন কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

সমবায় আন্দোলনক শক্তিশালী কৰাৰ অৰ্থে যথাযথভাৱে কৰ্ম সম্পাদন কৰিবলৈ সমবায় সমিতিসমূহৰ কাৰ্যকৰী নিয়ন্ত্ৰণ, নিয়ন্ত্ৰকৰ শিক্ষা আৰু প্ৰশিক্ষণ, সমন্বয়ক, সম্ভাব্য সমন্বয়ক আৰু কৰ্মচাৰীসকলৰ তথা সমবায় সমিতিসমূহৰ কাম-কাজক তিনিটা মূল বস্তু হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। এই অনুসৰি, সমবায়সমূহৰ পঞ্জীয়কে বেছিভাগ সমবায় সমিতিসমূহৰে হিচাপ পৰীক্ষা সম্পূৰ্ণ কৰিছে আৰু সমবায় সমিতিসমূহৰ বছৰেকীয়া সাধাৰণ সভা আৰু নিৰ্বাচন সম্পৰ্কীয় বিষয়সমূহৰ থানথিত লগাইছে। শিক্ষা আৰু প্ৰশিক্ষণ সুনিশ্চিত কৰিবলৈ অসম ৰাজীৱ গান্ধী সমবায় পৰিচালনা বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ লোৱা হৈছে। সমবায় খণ্ডৰ কাম-কাজৰ ক্ষেত্ৰত এনেধৰণৰ বিশ্ববিদ্যালয়

দেশত এয়েই প্ৰথম আৰু সম্প্ৰতি আহমেদাবাদৰ ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠানটোৱে ইয়াৰ পাঠ্যক্ৰম আৰু কৌশলগত স্থাপত্য বিদ্যাৰ আৰ্হি প্ৰস্তুত কৰাত নিয়োজিত হৈ আছে। মোৰ চৰকাৰে সমবায় ঋণ গাঁথনিটো পুনৰুজ্জীৱিতকৰণৰ দ্বাৰা আৰু প্ৰাথমিক কৃষি সমবায় সমিতি, দুগ্ধ সমবায় ইত্যাদিসমূহৰ শক্তিশালীকৰণৰ জৰিয়তে সমবায় আন্দোলনটোক অধিক শক্তিশালী কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিব।

**ভূমি সংৰক্ষণ**

জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লক্ষৰে মোৰ চৰকাৰে খহনীয়া আৰু ভূমিক্ষয় প্ৰতিৰোধ তথা কৃষিজাত উৎপাদন বৃদ্ধিৰে উপলব্ধ ভূমি আৰু জলসম্পদসমূহৰ উপযুক্ত ব্যৱস্থাপনাৰ বাবে বিভিন্ন আঁচনি হাতত লৈছে। এই আঁচনিসমূহ ভূমি উন্নয়ন, খেতি পথাৰৰ উন্নয়ন, বৰষুণৰ পানী সংৰক্ষণ আৰু উন্নয়ন, নলা নৰ্দমা নিয়ন্ত্ৰণৰ কাম-কাজ আৰু নদীৰ পাৰৰ সুস্থিৰতা ৰক্ষা কৰা আদিৰ লগত জড়িত। কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আঁচনি সংহত জলচ্ছেদ ব্যৱস্থাপনা কাৰ্যসূচীত কাৰ্যকৰীকৰণৰ বাবে ভূমি সংৰক্ষণ বিভাগক মুখ্য বিভাগ হিচাপে মনোনীত কৰা হৈছে। বৰ্তমানে বিভিন্ন জিলাত ৫৭ টা সংহত জলচ্ছেদ ব্যৱস্থাপনা কাৰ্যসূচীৰ প্ৰকল্প ৰূপায়িত হৈ আছে আৰু এনেধৰণৰ অন্য ৮৬ টা প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। অসম ৰোপন শস্য উন্নয়ন নিগম লিমিটেড (এ পি চি ডি চি)ৰ পুনৰুজ্জীৱিতকৰণৰ বাবে পদক্ষেপ হাতত লোৱা হৈছে। অসমত ৰবৰ খেতিৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰ লগত সংগতি ৰাখি ২০১১ চনৰ ২২ ছেপ্তেম্বৰত ৰবৰ দিৱস উদযাপন কৰা হৈছে আৰু ৰবৰ খেতিৰ প্ৰতি মানুহক আকৰ্ষিত কৰিবৰ বাবে গোলাঘাট, গোৱালপাৰা, ধুবুৰী, মৰিগাঁও, নগাঁও, কামৰূপ (মহানগৰ) আৰু কামৰূপ (গ্ৰাম্য) জিলাত উচ্চ মানৰ ৰবৰৰ পুলি বিতৰণ কৰা হৈছে।

**পৰিবেশ আৰু বন**

অসম ভাৰতৰ জৈৱ-বিচিত্ৰতাৰ এক ভঁৰাল। ৰাজ্যিক জৈৱ-বিচিত্ৰতাৰ নিয়মাৱলী, ২০১০ প্ৰস্তুত কৰা হৈছে আৰু আমাৰ জৈৱ-বিচিত্ৰতাৰ ঐতিহ্য সংৰক্ষণৰ বাবে গৱেষণা প্ৰতিষ্ঠান, শিক্ষাবিদ, নাগৰিক সমাজ আৰু বিভিন্ন চৰকাৰী বিভাগ তথা সংস্থাৰ অংশগ্ৰহণেৰে এক সমন্বিত প্ৰচেষ্টৰ সূচনা কৰিবৰ বাবে এখন ৰাজ্যিক জৈৱ-বিচিত্ৰতা পৰিষদ গঠন কৰা হৈছে। প্ৰায় ৬০ মিলিয়ন ইউৰোৰ প্ৰস্তাৱিত ব্যয়সাপেক্ষে 'ফ্ৰেন্স ডেভেলপ্‌মেণ্ট এজেঞ্চি'ৰ সাহায্যৰে বন আৰু জৈৱ বিচিত্ৰতা সংৰক্ষণৰ বাবে এটা প্ৰকল্পৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। বিশ্ব বেংকে পুঁজিৰে বন ব্যৱস্থাপনাৰ দিশত এক নতুন যুগৰ সূচনা কৰাৰ বাবে ২০০৭ চনত দুটা বন সংমণ্ডলত আৰম্ভ কৰা প্ৰাকৃতিক সম্পদ



ব্যৱস্থাপনা আৰু সংহত জীৱিকাৰ প্ৰধান প্ৰকল্পটোৰ কাম এতিয়া নটা বন সংমণ্ডললৈ সম্প্ৰসাৰিত কৰা হৈছে।

ৰাজ্যত বনভূমিৰ পৰিমাণ বৃদ্ধি কৰাৰ বাবে বহুতো আঁচনি হাতত লোৱা হৈছে। চলিত বিত্তীয় বৰ্ষত ১১,৫৯২ হেক্টৰ ভূমিত গছপুলি ৰোপণ আৰু ১২৭ লাখ গছপুলি বিতৰণৰ বৰ্ধিত লক্ষ্য স্থিৰ কৰা হৈছে, যাৰ পৰিমাণ ২০১২-১৩ বৰ্ষত ক্ৰমে ১৩,০০০ হেক্টৰ ভূমিত গছপুলি ৰোপণ আৰু ১৩০ লাখ গছপুলি বিতৰণলৈ বৃদ্ধিৰ প্ৰস্তাৱ লোৱা হৈছে। অসমৰ বনভূমিৰ সংৰক্ষণ আৰু সমৃদ্ধকৰণৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ হাতত লৈছে। 'প্ৰজেক্ট টাইগাৰ', 'প্ৰজেক্ট এলিফেণ্ট' আদি আঁচনিৰ জৰিয়তে বিভিন্ন বন্যপ্ৰাণী অধ্যুষিত অঞ্চলৰ উন্নয়নৰ কাম হাতত লোৱা হৈছে। হাতী-মানুহৰ সংঘাত হ্ৰাসকৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে আৰু ইয়াৰ বাবে সৌৰশক্তি চালিত বেৰা দিয়া আৰু ১০০ হেক্টৰ ভূমিত খাদ্যৰূপে গ্ৰহণীয় গছৰ পুলি ৰোপণৰ প্ৰস্তাৱ লোৱা হৈছে। সুৰক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ বাবে অসম বন সুৰক্ষা বাহিনীৰ দ্বিতীয় আৰু তৃতীয় বাহিনীক সম্পূৰ্ণ ৰূপত কাৰ্যত নিয়োগ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

**ৰাজহুৱা উদ্যোগসমূহ**

অসম পৰিচালনা আৰু ৰাজহুৱা সম্পদ ব্যৱস্থাপনা কাৰ্যসূচীৰ অধীনত এছিয়ান ডেভেলপ্‌মেণ্ট বেংকৰ অৰ্থ সাহায্যৰ ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ পুনৰ্গঠনৰ বাবে মোৰ চৰকাৰে বহুতো ব্যৱস্থা হাতত লৈছে। ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ ব্যৱস্থাপনালৈ দক্ষতা অনাৰ বাবে আৰু তেওঁলোকৰ সেৱাৰ মান উন্নত কৰাৰ বাবে সামৰ্থ্য বৰ্ধন আৰু পেছাদাৰিত্ব অনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ পাৰদৰ্শিতা, জবাবদিহিতা আৰু তদাৰকী উন্নত কৰাৰ বাবে বুজাবুজিৰ চুক্তি (এম অ' ইউ) পদ্ধতি আৰু প্ৰশিক্ষণ সাপেক্ষ বিশ্লেষণৰ সন্দৰ্ভত অধ্যয়ন চলোৱা হৈছে আৰু বিশেষজ্ঞসকলৰ প্ৰতিবেদনসমূহ বৰ্তমানে অধ্যয়ন কৰি থকা হৈছে। ব্যৱস্থাপনা তথ্য পদ্ধতি আৰু গণনাৰ কম্পিউটাৰকৰণেৰে কিছুমান ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ তথ্য-প্ৰযুক্তিগত আন্তঃগাঁথনিৰ সৰলীকৰণ, আন্তঃৰাষ্ট্ৰীয় মানৰ সংগঠনৰ প্ৰামাণীকৰণ, ৰাজহুৱা খণ্ড প্ৰতিষ্ঠানসমূহৰ কাৰিকৰী উন্নীতকৰণ আৰু প্ৰদৰ্শন ব্যৱস্থাপনা পদ্ধতি তথা প্ৰদৰ্শনৰ লগত সংগতি থকা দৰমহা পদ্ধতিৰ কাৰ্যকৰীকৰণৰ সন্দৰ্ভত প্ৰতিষ্ঠানসমূহে সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত অধ্যয়ন আদিৰ দৰে কিছুমান উদ্ভাৱনীমূলক আঁচনিৰ প্ৰস্তাৱ লোৱা হৈছে। সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন কৰা ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানটোক পুৰস্কৃত কৰা হ'ব। জীৱিকাজনিত সংকট হ্ৰাসকৰণৰ অৰ্থে কৰ্মস্থানত

উপযুক্ত সুৰক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তনৰ বাবে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক উৎসাহিত কৰা হ'ব।

## উদ্যোগ আৰু বাণিজ্য

মোৰ চৰকাৰে ৰাজ্যৰ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ উন্নয়নত গুৰুত্ব প্ৰদান কৰিছে। বিগত পাঁচ বছৰত প্ৰায় ৪৬,৯৫৫ গৰাকী ব্যক্তিক নিয়োজিত কৰি ৰাজ্যত এই খণ্ডসমূহৰ ৬,৪১৪ টা গোট স্থাপন কৰা হৈছে। অতি ক্ষুদ্ৰ উদ্যোগসমূহৰ বিকাশ সাধনৰ বাবে অসমত খণ্ড পৰ্যায়ৰ আন্তঃগাঁথনি শক্তিশালী কৰা আৰু ক্ষুদ্ৰ, কুটীৰ তথা খাদী উদ্যোগক পুনৰ সংস্থাপনমূলক পেকেজ প্ৰদানৰ বাবে এক বিশেষ নীতি গ্ৰহণ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। চাহ, মৰাপাট, পানীমেটেকা, কল, কমলা, তামোল-পাণ আদি খণ্ডসমূহত যুৱক-যুৱতীক নিয়োজিত কৰি ক্ষুদ্ৰ ঔদ্যোগিক গোট স্থাপনৰ বাবে বিশেষ উদগনি আগবঢ়োৱা হ'ব। চাহ বাগিচা, চৰাঞ্চল, জনজাতি অঞ্চল আৰু বান তথা খহনীয়া অধ্যুষিত অঞ্চলসমূহত হস্তশিল্প প্ৰশিক্ষণ কেন্দ্ৰ প্ৰতিষ্ঠাৰ প্ৰস্তাৱ লোৱা হৈছে। স্থানীয় সম্পদৰ ওপৰত ভিত্তি কৰি নিয়োগৰ সুবিধা-থকা বিভাগসমূহলৈ বহুমুখী দক্ষতা প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰীৰ কৰ্মজ্যোতি আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ যুৱক-যুৱতী আৰু আত্মসহায়ক গোটসমূহলৈ নিৰ্বাচিত খণ্ডসমূহত সঁজুলি আৰু যন্ত্ৰ-পাতি প্ৰদানৰ কাম চলি থাকিব।

অসমত বাণিজ্য আৰু ঔদ্যোগিক বিকাশৰ গতি খৰতকীয়া কৰাৰ বাবে বহুতো পদক্ষেপ লোৱা হৈছে। বিনিয়োগকাৰীসকললৈ আন্তঃগাঁথনিমূলক সুবিধা প্ৰদান কৰাৰ বাবে ১১ টা ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে আৰু তাৰে ৯ টা কেন্দ্ৰৰ কাম ইতিমধ্যে সমাপ্ত হৈছে। নলবাৰী জিলাৰ নাথকুছিত বৃহৎ খাদ্য উদ্যানখনৰ কাম চলি আছে। ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ আৰু পলিমাৰ লিমিটেড (বি পি চি এল)ৰ নিৰ্মাণৰ কাম চলি আছে আৰু ২০১৩ চনৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। সীমান্ত বাণিজ্য কেন্দ্ৰ স্থাপনকে ধৰি বাংলাদেশৰ সৈতে সীমান্ত বাণিজ্যৰ সুযোগ লোৱাৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা হৈছে। জাগুনত এটা আন্তঃৰাষ্ট্ৰীয় বাণিজ্য সুবিধা প্ৰদান কেন্দ্ৰ নিৰ্মাণৰ কামৰ ইতিমধ্যে আৰম্ভ হৈছে। কেন্দ্ৰীয় খণ্ডত, যোৰহাটত ৰাষ্ট্ৰীয় ডিজাইন প্ৰতিষ্ঠান, শিৱসাগৰত ৰাজীৱ গান্ধী পেট্ৰ'লিয়াম প্ৰযুক্তি প্ৰতিষ্ঠান আৰু গুৱাহাটীত ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপন কৰা হ'ব।

## হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম

ৰাজ্যখনৰ সমাজ-সাংস্কৃতিক প্ৰেক্ষাপটত হস্ততাঁত বয়ন শিল্পই এক গৌৰৱময় স্থান অধিকাৰ কৰি আছে। এই খণ্ডটোৱে প্ৰায় ২৫ লাখ লোকক প্ৰত্যক্ষ বা পৰোক্ষ



নিয়োগৰ সুবিধা প্ৰদান কৰিছে আৰু এইক্ষেত্ৰত ইয়াৰ স্থান কৃষিৰ পিছতেই দ্বিতীয়। ইয়াৰ গুৰুত্বৰ ওপৰত লক্ষ্য ৰাখি এই খণ্ডটোৰ বাবে বহুতো আঁচনি হাতত লোৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত ২০০৭-০৮ বৰ্ষৰ পৰা ২০১০-১১ বৰ্ষৰ ভিতৰত ৪৫,৬০,৬০৫ গৰাকী শিপিনীক সূতা আৰু কম্বল প্ৰদানেৰে সহায় আগবঢ়োৱা হৈছে। অৰ্থনৈতিক উন্নয়ন পেকেজৰ অধীনত ২০ জনীয়া শিপিনীৰ দল পাতি প্ৰত্যেক দলকে উন্নতমানৰ বয়ন বস্ত্ৰ উৎপাদনৰ বাবে উচ্চ মানৰ তাঁতশাল, জেকৰাৰ্ড মেচিন আৰু সহযোগী সঁজুলিসমূহ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীৰ নিয়োগ সৃষ্টি আঁচনিৰ অধীনত তাঁত বৈ জীৱন নিৰ্বাহ কৰা দৰিদ্ৰ শিপিনীসকলৰ প্ৰত্যেককে ২৫,০০০ টকাৰ সাহায্য প্ৰদানেৰে সহায় কৰা হৈছে। অহা বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰে এক নতুন আঁচনি কাৰ্যকৰী কৰা হ'ব, যাৰ দ্বাৰা শিপিনীৰ ক্ৰেডিট কাৰ্ডৰ ব্যৱস্থা কৰা হ'ব আৰু শিপিনীসকলক পাছবুকৰ মাধ্যমেৰে ১০ শতাংশ ৰাজকোষৰ সাহায্যৰে সূতা যোগান ধৰা হ'ব। শিপিনীসকলৰ বাবে স্বাস্থ্য বীমা আৰু জীৱন বীমা আঁচনিৰো ব্যৱস্থা কৰা হৈছে।

মুগা আৰু এৰী সূতা উৎপাদনৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে আগবঢ়া আৰু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয়ক্ষেত্ৰত ইয়াৰ এখন ভাল বজাৰ আছে। গ্ৰামাঞ্চলত নিয়োগ সৃষ্টিৰ অৰ্থে মোৰ চৰকাৰে মুগা আৰু এৰী উৎপাদনৰ বাবে এলানি আঁচনি গ্ৰহণ কৰিছে। মুগা আৰু এৰীৰ প্ৰাথমিক উৎপাদকসকলে পলুৰ উচিত মূল্য পোৱাৰ ক্ষেত্ৰত সহায় কৰিবলৈ বকো আৰু কামৰূপত কেন্দ্ৰীয় ৰেচম ব'ৰ্ডৰ সাহায্যত পলু বেংক স্থাপন কৰা হৈছে। এৰী, মুগা, নুনি সূতা আৰু লগতে মুগা কাপোৰৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ সাহায্যৰ সুবিধা আৰু এই সামগ্ৰীসমূহৰ ৰপ্তানিৰ বাবে বিশেষ উদগনিৰে সোণালী সূতা প্ৰকল্পৰ বাবে এটা বিশেষ পুঁজি গঠন কৰা হৈছে। মুগা উৎপাদন বৃদ্ধিৰ বাবে ৰাজহুৱা প্ৰতিষ্ঠানসমূহক জড়িত কৰি বকো আৰু ঢকুৱাখনাত দুটা পৰীক্ষামূলক প্ৰকল্প স্থাপন কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। উৎপাদন বৃদ্ধিৰ অৰ্থে মুগা, এৰী আৰু নুনি উৎপাদিত অঞ্চলসমূহত আদৰ্শ ৰেছম গাঁও স্থাপন কৰিবলৈ ব্যৱস্থা লোৱা হৈছে।

## স্বাস্থ্য আৰু পৰিয়াল কল্যাণ

প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ বাবে মোৰ চৰকাৰে চৰকাৰী প্ৰাতিষ্ঠানিক প্ৰসৱক উৎসাহিত কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিবলৈ জননী আৰু শিশু সুৰক্ষা কাৰ্যসূচীয়ে অৰিহণা আগবঢ়াইছে। নৱজাতকৰ মৃত্যুৰ হাৰ ২০০৯ বৰ্ষত ৬১ টাৰ পৰা ২০১০ বৰ্ষত ৫৮ টালৈ আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ ২০০৪-০৬ চনৰ ৪৮০

গৰাকীৰ পৰা ২০১০-১১ বৰ্ষত ৩৮১ গৰাকীলৈ হ্ৰাস পাইছে। ৰাজ্যখনত চৰকাৰী প্ৰাতিষ্ঠানিক প্ৰসৱৰ সংখ্যাও উল্লেখনীয়ভাৱে বৃদ্ধি পাইছে। নৱজাতকৰ মৃত্যুৰ হাৰ কমোৱাৰ বাবে এৰষষ্ঠিটা নৱজাতক টিকাকৰণ গোট প্ৰসৱ কেন্দ্ৰত স্থাপন কৰা হৈছে আৰু অহা বছৰৰ পৰা আন ১৭১ টা নৱজাতক টিকাকৰণ গোট কাৰ্যকৰী কৰা হ'ব। সম্পূৰ্ণ প্ৰতিষেধক প্ৰাপ্ত শিশুৰ হাৰ ২০০৫-০৬ বৰ্ষৰ ৭০.২৩ শতাংশৰ বিপৰীতে ২০১০-১১ বৰ্ষত ৮৬.৬৭ শতাংশলৈ বৃদ্ধি পাইছে। মামণি আঁচনিৰ জৰিয়তে গৰ্ভৱতী মহিলাৰ পুষ্টিকৰ খাদ্যৰ বাবে ১০০০/- টকা দুটা কিস্তিত প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। মামণি আঁচনিৰ অধীনত কন্যা শিশুৰ নিৰাপত্তাৰ বাবে প্ৰদান কৰা ৫,০০০ টকাৰ স্থায়ী জমা আঁচনিৰে ১,৭০,৫০১ গৰাকী কন্যা শিশু উপকৃত হৈছে।

জিলা চিকিৎসালয়, মহকুমা চিকিৎসালয়, ৰাজহুৱা স্বাস্থ্যকেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰসমূহৰ উন্নয়নৰ বাবে বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। সকলোবোৰ জিলা আৰু মহকুমা চিকিৎসালয়ৰ লগতে দন্ত্য শাখাসমূহক শক্তিশালী কৰাৰ কাৰণে এক্স-ৰে', আল্ট্ৰাছাউণ্ড, ই চি জি, অট' এনালাইজাৰ আদি ৰোগ নিৰ্ণায়কৰ আঁধুনিক সা-সুবিধাৰ ডায়েগনষ্টিক চেণ্টাৰ স্থাপন কৰা হ'ব। সকলো জিলা আৰু মহকুমা চিকিৎসালয়ত ৰোগী সহায়ক নিৱাস স্থাপন কৰা হ'ব। গ্ৰামাঞ্চল সমূহত ৬১খন আদৰ্শ চিকিৎসালয় নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰে পাঁচখনৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু বাকীকেইখন ২০১২-১৩ বৰ্ষত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। চৰ অঞ্চলৰ চিকিৎসা সেৱাৰ বাবে ৫০ খন নতুন নৈপৰীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু বৰ্ত্তমান এই প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহে ভাৰাঘৰৰ পৰা কাম-কাজ চলাই আছে। সমগ্ৰ ২৭খন জিলাতে জৰুৰী সঁহাৰি সেৱা (মৃত্যুঞ্জয়-১০৮) ৰ কাম-কাজ চলি আছে আৰু অহা বিত্তীয় বৰ্ষত ১০৮ বাহনৰ সংখ্যা বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে। সকলো জিলাতে বিদ্যালয় স্বাস্থ্য আঁচনি শক্তিশালী কৰা হ'ব। ৰাজ্যখনত এইড্ছ প্ৰতিৰোধৰ বাবে অসম এইড্ছ নিয়ন্ত্ৰণ সমিতিয়ে পদক্ষেপ গ্ৰহণ কৰিছে।

মোৰ চৰকাৰে নতুন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতাল স্থাপন, লগতে বৰ্তমান থকা চিকিৎসা মহাবিদ্যালয় সমূহৰ কাম-কাজ শক্তিশালী কৰি চিকিৎসা শিক্ষাৰ ওপৰত বিশেষ অগ্ৰাধিকাৰ দিছে। ২০০৯ চনতে স্থাপন কৰা যোৰহাট মেডিকেল কলেজ আৰু হাস্পাতালৰ কাম-কাজ চলি আছে আৰু দ্বিতীয়টো চামৰ শিক্ষাৰ্থী ভৰ্ত্তি কৰোৱা হ'ব। ২০১১ বৰ্ষত স্থাপন কৰা বৰপেটাৰ ফকৰুদ্দিন আলি আহমেদ মেডিকেল কলেজ



আৰু হাস্পাতালত বৰ্তমান চিকিৎসা শাখা চলি আছে আৰু অহা বিত্তীয় বৰ্ষত ছাত্ৰ-ছাত্ৰী ভৰ্ত্তি কৰিব পৰা হ'ব বুলি আশা কৰা হৈছে। তেজপুৰ চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম চলি আছে। কোকৰাঝাৰ, ধুবুৰী আৰু লখিমপুৰত তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পাতালখন অত্যাধুনিক সা-সুবিধাযুক্ত চিকিৎসালয়লৈ উন্নীতকৰণৰ কাম চলি আছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ২০০ খন বিচনাযুক্ত এখন কেন্সাৰ হাস্পাতাল ভৱন নিৰ্মাণ কৰা হ'ব আৰু প্ৰাথমিক পৰ্যায়তে কেন্সাৰ ৰোগ নিৰ্ণয় কৰিব পৰাকৈ আৱশ্যকীয় যন্ত্ৰপাতি, যেনে পেট-চিটি স্কেন মেচিন আৰু মেডিকেল চাক্ৰ'ট্ৰন সংগ্ৰহ কৰা হৈছে। ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় আৰু শিলচৰস্থিত শিলচৰ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত দুখন নাৰ্ছিং কলেজত ২০১২ বৰ্ষৰ সময়ছোৱাত নামভৰ্ত্তি তথা প্ৰশিক্ষণ আৰম্ভ কৰা হ'ব।

**গড়কাপ্তানি**

ৰাজ্যখনত পথৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত মোৰ চৰকাৰে অগ্ৰাধিকাৰ দিছে। গ্ৰামাঞ্চলৰ পথ উন্নয়ন আৰু পথ সংযোগীকৰণৰ বাবে প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা, অসম কৃষি প্ৰতিযোগিতামূলক প্ৰকল্প, মুখ্য মন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি, গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি, অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি, অসম বিকাশ যোজনা, মুখ্যমন্ত্ৰীৰ পকী দলং নিৰ্মাণ আঁচনি আদিৰ দৰে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছে। ২০০১ বৰ্ষৰ পৰা ১৮,০০০ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পথ পকীকৰণ কৰা হৈছে আৰু ৫,৫০০ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পথৰ কাম চলি আছে। মুঠ ১,৮০০ খন কাঠৰ দলং আৰ চি চি দলঙলৈ ৰূপান্তৰিত কৰা হৈছে আৰু আন ১,৩০০ খন দলং নিৰ্মাণৰ কাম চলি আছে। অহা বছৰটোত ৫০০ খন দলং আৰ চি চি লৈ ৰূপান্তৰ কৰাৰ লগতে ৫০০ কিলোমিটাৰ ৰাজ্যিক ঘাইপথ তথা জিলাৰ প্ৰধান পথসমূহৰ উন্নয়ন, বহল কৰা তথা শক্তিশালী কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। অসমত চলিত বৰ্ষত ১৮৯.৩১ কিলোমিটাৰ পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথ উন্নীত কৰা হৈছে। অহা বৰ্ষটোত ৰাজ্যিক আঁচনিৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথৰ ৪৮১.৮৬ কিলোমিটাৰ, সাময়িক নৱীকৰণৰ অধীনত ৩৩৪ কিলোমিটাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিশেষ সম্প্ৰসাৰিত পথ উন্নয়ন আঁচনিৰ সহায়ত ৭১.৫৬৬ কিলোমিটাৰ পথৰ উন্নয়নৰ সিদ্ধান্ত লোৱা হৈছে। বহু সংখ্যক চৰকাৰী ভৱনৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু কাম চলি আছে।

**জনস্বাস্থ্য কাৰিকৰী ঃ**

সকলোৰে বাবে বিশুদ্ধ খোৱা পানী যোগান আৰু অনাময় ব্যৱস্থা প্ৰদান কৰাৰ ক্ষেত্ৰত মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিছে। এতিয়ালৈকে সামৰি নোলোৱা, আংশিকভাৱে সামৰি লোৱা আৰু গুণগত মানদণ্ডৰ বাবে ক্ষতিগ্ৰস্ত হোৱা এলেকাসমূহত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চলিত বৰ্ষত ১,৭৩১ টা সামৰি নোলোৱা/আংশিকভাবে সামৰি লোৱা বসতি এলেকা আৰু ১,৯০০ টা গুণগত মানদণ্ড ক্ষতিগ্ৰস্ত হোৱা বসতি এলেকাত বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে। ইয়াৰোপৰি, গাওঁ অঞ্চলৰ ৮৯৪ খন বিদ্যালয়ত বিশুদ্ধ খোৱা পানী যোগান ধৰা হৈছে। খোৱা পানীৰ গুণগত মানদণ্ড ক্ষতিগ্ৰস্ত এলেকাত মেগা পাইপড্ ৱাটাৰ চাপ্লাই আঁচনিৰ অধীনত বিকল্প নিৰাপদ বহিঃ জল উৎসৰ দ্বাৰা খোৱা পানী যোগানৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ দ্বাৰা বৃহত্তৰ তিতাবৰ পি ডব্লিউ এছ এছ আঁচনিৰ অধীনত আৰ্চেনিক প্ৰভাবিত ৩০৮ টা আৰু আন ১৯৯ টা বসতি অঞ্চল, চাৰিগাওঁ সংহত পি ডব্লিউ এছ এছৰ দ্বাৰা ৫৯ টা আৰ্চেনিক প্ৰভাৱিত আৰু ১০ টা অন্যান্য বসতি অঞ্চল, গোলাঘাট পূৱ আৰু কাকডোঙা উন্নয়ন খণ্ডৰ বাবে স্থাপিত কম্প'জিত ডব্লিউ এছ, এছ আঁচনিৰ দ্বাৰা ১০৪ টা আৰ্চেনিক প্ৰভাবিত আৰু ১৪৫টা আন বসতি অঞ্চল, উদমাৰী পি ডব্লিউ এছ. এছ. ৬০ টা ফ্লু'ৰাইড প্ৰভাৱিত অঞ্চল আৰু ১২ টা আন বসতি অঞ্চলক সামৰি লোৱা হৈছে। সম্পূৰ্ণ অনাময় অভিযানৰ অধীনত অংগনৱাড়ী কেন্দ্ৰৰ প্ৰস্ৰাৱ খানা, বিদ্যালয়ৰ প্ৰস্ৰাৱ খানা আৰু দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ আৰু ওপৰত বাস কৰা পৰিয়ালসমূহৰ বাবে ব্যক্তিগত পৰিয়াল শৌচাগাৰ স্থাপনৰ কাম কৰি থকা হৈছে। খোৱাপানীৰ সমস্যা থকা চৰকাৰী বিদ্যালয়সমূহত বিশুদ্ধ খোৱাপানী পোৱাতো নিশ্চিত কৰাৰ অৰ্থে জলমণি আঁচনিখন ৰূপায়িত কৰি থকা হৈছে।

**শিক্ষা ঃ**

শিক্ষাৰ অধিকাৰ আইনখন ৰূপায়িত কৰাৰ বাবে মোৰ চৰকাৰ সম্পূৰ্ণ দায়বদ্ধ। প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰি তোলা আৰু ইয়াৰ গুণগত মানদণ্ড উন্নীত কৰাৰ বাবে চৰকাৰে সৰ্বশিক্ষা অভিযানৰ জৰিয়তে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ সকলোবোৰ প্ৰাথমিক বিদ্যালয়ত প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীত অধ্যয়ন কৰি থকা ৫০.৫২ লাখ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া দুপৰীয়াৰ মধ্যাহ্ন আহাৰ যোগান ধৰা হৈছে। ১৭,৫০০ গৰাকী অনুসূচিত জাতি আৰু ৮,৭৫০ গৰাকী অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীক উপস্থিতিৰ জলপানি প্ৰদান কৰা হৈছে। শিক্ষাৰ গুণগত মান বৃদ্ধিৰ



বাবে প্ৰাথমিক বিদ্যালয়সমূহত খালী হৈ থকা ১৮,৩৫১টা শিক্ষক পদত নিযুক্তিৰ বাবে টিছাৰ এলিজিবিলিটি টেষ্ট (TET) অনুষ্ঠিত কৰা হৈছে। অসম ভেঞ্চাৰ এডুকেচনেল ইন্সটিটিউচন (প্ৰভিন্সিয়েলাইজেচন অব ছাৰ্ভিছ) এক্ট, ২০১১ প্ৰণয়ন কৰা হৈছে। উচ্চ শিক্ষা লাভত সহায়ক হোৱাকৈ এক লাখ নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মেধা সম্পন্ন ছাত্ৰ-ছাত্ৰীক গাইপতি ৫০০০ টকাৰ জলপানি প্ৰদান কৰাৰ বাবে এখন নতুন আঁচনিৰ প্ৰস্তাৱ কৰা হৈছে।

মোৰ চৰকাৰে মাধ্যমিক শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RSMA)ৰ জৰিয়তে আন্তঃগাঁথনিৰ ব্যৱস্থা, শিক্ষক প্ৰশিক্ষণ আৰু গুণগত মানদণ্ডৰ উন্নয়নৰ দ্বাৰাই মাধ্যমিক শিক্ষাৰ অনুষ্ঠানসমূহক সৱল কৰি তোলা হৈছে। চৰকাৰী আৰু প্ৰাদেশীকৃত মাধ্যমিক বিদ্যালয়সমূহত ইংৰাজী আৰু সমাজ বিজ্ঞান, গণিত আৰু সাধাৰণ বিজ্ঞানৰ দৰে মুখ্য বিষয় কেইটিত ঠিকা ভিত্তিত তিনিজনকৈ শিক্ষক নিযুক্তি দিয়াৰ বাবে এখন আঁচনি গ্ৰহণ কৰা হৈছে। সকলোবোৰ প্ৰাদেশীকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা প্ৰৱৰ্তনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। ১০০০ খন উচ্চ মাধ্যমিক বিদ্যালয়ত কাৰিকৰী শিক্ষা প্ৰৱৰ্ত্তন কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে। ৰাষ্ট্ৰীয় কাৰিকৰী শিক্ষা অৰ্হতা পৰিসীমা (NVEQF) ৰাজ্যত কাৰ্যকৰী কৰা হব। প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীলৈ প্ৰদান কৰি থকা আনন্দৰাম বৰুৱা বঁটা শতকৰা ৫০ নম্বৰ আৰু ততোধিক নম্বৰ পোৱা সকললৈ সম্প্ৰসাৰণ কৰা হ'ব। অসমত মাদ্ৰাছা শিক্ষাৰ উন্নয়ন সাধনৰ বাবে মাদ্ৰাছা শিক্ষা সঞ্চালকালয়ে কেইবালানিও ব্যৱস্থা গ্ৰহণ কৰিছে। সাক্ষৰ ভাৰত আঁচনিৰ জৰিয়তে প্ৰাপ্ত বয়স্ক শিক্ষাৰ উন্নতি সাধনৰ ব্যৱস্থা লোৱা হ'ব।

উচ্চ শিক্ষাৰ অধিক সম্প্ৰসাৰণৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, বড়োলেণ্ড বিশ্ববিদ্যালয় আৰু কে কে সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ আন্তঃগাথঁনি উন্নয়নৰ বাবে আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। অতি কমেও ৩০ খন প্ৰাদেশীকৃত মহাবিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা খোলা হ'ব। গোলাঘাট, ধেমাজি, কৰিমগঞ্জ আৰু গোৱালপাৰাত চাৰিখন অভিযান্ত্ৰিক মহাবিদ্যালয় স্থাপন কৰা হ'ব। অসম বিজ্ঞান আৰু কাৰিকৰী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে আৰু মহিলা বিশ্ববিদ্যালয় স্থাপনৰ বাবে পদক্ষেপ লোৱা হৈছে। দশম শ্ৰেণী উত্তীৰ্ণৰ পিছত ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে ২১ খন নতুন পলিটেকনিক স্থাপনৰ প্ৰস্তাৱ কৰা হৈছে। পিপিপি ব্যৱস্থাৰে এটা ইণ্ডিয়ান ইন্সটিটিউট অব ইনফৰমেচন টেকন'ল'জী এণ্ড এডভান্স চাইন্স স্থাপন কৰিবলৈ লোৱা হৈছে। পৰিবৰ্ত্তিত আৰু প্ৰতিযোগিতামূলক নিয়োগ বজাৰৰ সৈতে খাপ খাব পৰাকৈ উচ্চ শিক্ষাৰ পাঠ্যক্ৰমৰ পৰ্য্যালোচনা কৰাৰ ব্যৱস্থা লোৱা হৈছে।

**সমাজ কল্যাণ ঃ**

সংহত শিশু উন্নয়ন সেৱা (আই,চি,ডি,এচ্) আঁচনিখনে এতিয়া ক্ষুদ্ৰ অংগনৱাড়ী কেন্দ্ৰসমূহকে আদি কৰি ৫৭,৭৬৭ টা অংগনৱাড়ী কেন্দ্ৰৰ সৈতে সমগ্ৰ ৰাজ্যখনকে সামৰি লৈছে আৰু শিশু আৰু মহিলাসকলৰ মাজত বিৰাজ কৰি থকা পুষ্টিহীনতাৰ সমস্যাটোক মোকাবিলা কৰাৰ ক্ষেত্ৰত ইয়াৰ পৰিপূৰক পুষ্টি আঁচনিখনৰ ৰূপায়ণে ভাল অগ্ৰগতি লাভ কৰি আছে। অংগনৱাড়ী পৰ্যায়ত আই চি ডি এচ্‌কে আদি কৰি মহিলা আৰু শিশু উন্নয়ন সম্পৰ্কীয় বিভিন্ন আঁচনিসমূহৰ ৰূপায়ণ নিৰীক্ষণ আৰু তদাৰক কৰাৰ অৰ্থে সকলোবোৰ অংগনৱাড়ী কেন্দ্ৰতে মাতৃ মণ্ডল গঠন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। গ্ৰাম্য মহিলাসকলক অৰ্থনৈতিকভাবে সবল কৰি তোলাৰ অৰ্থে মুখ্যমন্ত্ৰীৰ মহিলা সমৃদ্ধি আঁচনিখনৰ ৰূপায়ণৰ কাম অব্যাহত ৰখা হ'ব। জীৱিকাৰ বাবে ৪৫ বছৰ বয়সৰ উৰ্ধৰ্ৰ দাৰিদ্ৰ্য সীমাৰেখাৰ অধীনত বসবাস কৰা অবিবাহিতা আৰু নিবনুৱা মহিলা আৰু বিধৱাসকললৈ সাহায্য আগবঢ়োৱা হৈছে। ৰাজ্যখনত মহিলা সৱলীকৰণ সম্পৰ্কীয় সকলোবোৰ আঁচনিৰ সমন্বয় সাধনৰ বাবে শীৰ্ষ নিকায় হিচাপে এখন মহিলা উন্নয়ন পৰিষদ স্থাপনৰ প্ৰক্ৰিয়া চলি আছে। কিশোৰীৰ বাবে ৰাজীৱ গান্ধী কিশোৰী সৱলীকৰণ আঁচনি আৰু ইন্দিৰা গান্ধী মাতৃত্বভা সহযোগী যোজনা নামৰ দুখন নতুন আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে।

অক্ষমলোকৰ বাবে থকা আয়ুক্তৰ কাৰ্যালয়ৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনতে অক্ষম ব্যক্তি (সমান সুবিধা, অধিকাৰ সুৰক্ষা আৰু সম্পূৰ্ণ অংশ গ্ৰহণ) আইন, ১৯৯৫খন ৰূপায়ণ কৰি থকা হৈছে। দুৰ্ঘটনাজনিত মৃত্যু, আঘাত আৰু কেতবোৰ স্বাস্থ্য সম্পৰ্কীয় বিষয়ক সামৰি বীমাৰ সুবিধা প্ৰদান কৰা মুখ্যমন্ত্ৰীৰ জীৱনজ্যোতি বীমা আঁচনিখনৰ ৰূপায়ণৰ কাম ৰাজ্যখনত চলি আছে। সমাজৰ অৰ্থনৈতিকভাবে দুৰ্বল শ্ৰেণীৰ লোকসকলক সামৰি জীৱন বীমাৰ সুবিধা প্ৰদান কৰি থকা আম আদমী বীমা যোজনাখনৰ ৰূপায়ণৰ কামো চলি আছে। আশ্ৰয়হীন লোকসকললৈ নিশাৰ আশ্ৰয় প্ৰদান কৰাৰ অৰ্থে অনাচৰকাৰী সংস্থাৰ সহযোগত গুৱাহাটীত এখন বিশেষ আঁচনি হাতত লোৱা হৈছে আৰু এই আঁচনিখনক এতিয়া অন্যান্য জিলা সমূহলৈকো সম্প্ৰসাৰণ কৰা হৈছে। স্বীকৃতিপ্ৰাপ্ত অনা-চৰকাৰী সংস্থাসমূহৰ সহযোগত ৰাজ্যখনৰ সকলোবোৰ জিলাতে বৃদ্ধ আবাসগৃহ নিৰ্মাণ কৰাৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

**খাদ্য আৰু অসামৰিক যোগান ঃ**

মোৰ চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত জনসাধাৰণলৈ ৰাজ সাহায্যপ্ৰাপ্ত চাউল, ঘেঁহু, চেনী আৰু কেৰাচিন তেল যোগান ধৰি আছে। ৰাজহুৱা বিতৰণ



ব্যৱস্থাৰ অধীনত বিভিন্ন শ্ৰেণীৰ পৰিয়ালৰ মাজত বিভিন্ন নিৰিখত চাউল যোগান ধৰি থকা হৈছে। অন্ত্যোদয়া অন্ন যোজনাৰ অধীনত প্ৰায় ৭.০৪ লাখ টা অতি দৰিদ্ৰ পৰিয়াল উপকৃত হৈছে। সেইদৰে দাৰিদ্ৰ্য সীমাৰেখা আঁচনিৰ অধীনত ১২ লাখ টা দাৰিদ্ৰ সীমা ৰেখাৰ অধীনত বসবাস কৰা পৰিয়াল আৰু এপিএল আঁচনিৰ অধীনত ৪০.২০ লাখ টা এপিএল পৰিয়াল উপকৃত হৈছে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীৰ অন্ন সুৰক্ষা যোজনাৰ অধীনত আন ২০ লাখ টা পৰিয়াল উপকৃত হৈছে। ৰাজ্যখনত ১০,০০০ খন আমাৰ দোকানৰ জৰিয়তে পৰিয়াল পৰিচয় পত্ৰ থকা লোকসকলক ২১ বিধ অত্যাৱশ্যকীয় ৰাজহুৱা বিতৰণ ব্যৱস্থা বহিৰ্ভূত সামগ্ৰী যোগান ধৰা হৈছে। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ সামগ্ৰীসমূহ বিতৰণৰ ক্ষেত্ৰত স্বচ্ছতা, দায়বদ্ধতা আৰু এই সামগ্ৰীসমূহৰ যথাযথ বিতৰণ সুনিশ্চিত কৰাৰ অৰ্থে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ পৰিয়াল পৰিচয় পত্ৰসমূহ/ৰেচন কাৰ্ডসমূহ বায়'মেট্ৰিক ফিচাৰৰ সুবিধাৰে উন্নীত কৰা হব। ৰন্ধনজ্যোতি আঁচনিৰ অধীনত বিধবা আৰু আত্মসহায়ক গোটৰ সদস্যলৈ বিনামূলীয়া এল পি জি সংযোগ প্ৰদান কৰা হৈছে। মুখ্যমন্ত্ৰীৰ সমবায় সবলীকৰণ যোজনাৰ অধীনত অসম সমবায় আইন, ১৯৪৯ ৰ অধীনত গঠন কৰা জি পি এচ এচ আৰু এল এ এম পি ৰ বিত্তীয় আৰু পৰিচালনগত সক্ষমতা বৃদ্ধি কৰা হৈছে। অসম ৰাজ্যিক গ্ৰাহক গোচৰ নিস্পত্তিকৰণ আয়োগ আৰু ২৩ খন জিলা গ্ৰাহক গোচৰ নিস্পত্তিকৰণ মঞ্চই গ্ৰাহকৰ অধিকাৰ সুৰক্ষাৰ বাবে কাম-কাজ চলাই আছে।

**সীমান্ত এলেকা ঃ**

বাংলাদেশ আৰু ভূটানৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত বিশেষ কেন্দ্ৰীয় সাহায্যৰ পুঁজিৰে এক সীমান্ত এলেকা উন্নয়ন আঁচনি ৰূপায়ণৰ কাম চলি আছে। এই আঁচনিৰ অধীনত খোৱা পানী যোগান, ৰাষ্টা-ঘাট আৰু দলঙৰ উন্নয়ন, বিদ্যালয় ভৱনৰ সুবিধা, সীমান্ত চকী আৰু সংযোগ পথৰ উন্নয়ন আদিৰে সীমান্ত অঞ্চলত বাস কৰা লোকসকলৰ প্ৰধান প্ৰয়োজনীয়তা সমূহ পূৰণৰ লক্ষ্য স্থিৰ কৰা হৈছে। ত্ৰয়োদশ বিত্তীয় আয়োগেও অসমৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ উন্নয়নৰ বাবে ২৩০ কোটি টকাত অনুমোদন জনাইছে। অসমৰ আন্তঃ ৰাজ্যিক সীমান্ত অঞ্চলত বাস কৰা লোক সকলৰ সামগ্ৰিক আৰ্থ সামাজিক উন্নয়নৰ বাবে পথ সংযোগীকৰণ, স্বাস্থ্যৰ সা-সুবিধা, গ্ৰাম্য বৈদ্যুতিকীকৰণ, শিক্ষাৰ সা-সুবিধা আৰু ৰাজহুৱা ভৱন নিৰ্মাণ আদিৰ কাম বিভিন্ন আঁচনিৰ জৰিয়তে গ্ৰহণ কৰা হৈছে। সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলক নিৰাপত্তা প্ৰদানৰ ক্ষেত্ৰত মোৰ চৰকাৰ দায়বদ্ধ আৰু মোৰ চৰকাৰে বুজা বুজি তথা মধ্যস্থতাৰ জৰিয়তে আন্তঃৰাজ্যিক বিতৰ্কসমূহৰ শান্তিপূৰ্ণ সমাধান সমৰ্থন কৰে।

**অনুসূচিত জাতি, অনুসূচিত জনজাতি, পিছপৰা শ্ৰেণী আৰু অন্যান্য সম্প্ৰদায়ৰ কল্যাণ ঃ**

ৰাজ্যখনত বসবাস কৰি থকা অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু আন সম্প্ৰদায়ৰ লোকসকলৰ কল্যাণ সাধনৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। সাতখন স্বায়ত্ত শাসিত পৰিষদ আৰু ১৮খন উন্নয়ন পৰিষদে ৰাজ্যখনৰ ভৈয়াম অঞ্চলত বাস কৰা বিভিন্ন সম্প্ৰদায়ৰ জনসাধাৰণৰ উন্নয়নৰ বাবে বহুতো আঁচনি গ্ৰহণ কৰিছে। স্বায়ত্ত শাসিত পৰিষদসমূহ হ'ল বড়োলেণ্ড টেৰিট'ৰিয়েল কাউন্সিল (BTC) আৰু ৰাভা হাছং, মিছিং, দেউৰী, তিৱা, সোণোৱাল কছাৰী আৰু ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ। প্ৰত্যেকৰ বাবে এখনকৈ গঠিত উন্নয়ন পৰিষদ সমূহ মটক, মৰাণ, চুতীয়া, শৰণীয়া কছাৰী, টাই-আহোম, আদিবাসী, বিষ্ণুপ্ৰিয়া মণিপুৰী, গোৰ্খা, মায়মল, কোচ-ৰাজবংশী, মৰিয়া, আমৰিকাৰ্বি, নাথ-যোগী, মণিপুৰী, মেছ-কছাৰী, বৰাক ভেলী হিল ট্ৰাইব্‌ছ আৰু সাধাৰণ জাতিৰ সম্প্ৰদায় আৰু এখন হ'ল- টাইফাকে, টাইটুৰুং, টাই খামিয়াং, টাই আইটন, টাই খামটি, চিংফো, টাংছা আৰু ছেমা সম্প্ৰদায়। অনুসূচীত জাতি ,সম্প্ৰদায়ৰ বাবেও এখন উন্নয়ন পৰিষদ গঠনৰ প্ৰস্তাৱ কৰা হৈছে। মোৰ চৰকাৰে মৰাণ, মটক চুতীয়া, আহোম, কোচ-ৰাজবংশী আৰু চাহ জনজাতিসকলক জনজাতিৰ মৰ্যদা দিয়াৰ দাবী সন্দৰ্ভত প্ৰচেষ্টা অব্যাহত ৰাখিব। অসম ৰাজ্যিক অনুসূচীত জাতি উন্নয়ন নিগম, অসম ৰাজ্যিক অনুসূচীত জনজাতি নিগম, অসম ৰাজ্যিক পিছপৰা সম্প্ৰদায়ৰ উন্নয়ণ নিগম আৰু অসম জনজাতি উন্নয়ন প্ৰাধিকৰণৰ জৰিয়তে বহতো উন্নয়নমূলক কাম-কাজ চলাই থকা হৈছে।

**চাহ জনজাতিৰ কল্যাণ ঃ**

মোৰ চৰকাৰে চাহ আৰু প্ৰাক্তন চাহ জনজাতি সম্প্ৰদায়ৰলোকসকলৰ কল্যাণৰ বাবে বিভিন্ন আঁচনি ৰূপায়িত কৰি আহিছে। এনে আচনিসমূহ হ'ল -পৰিয়াল কেন্দ্ৰিক উপাৰ্জন বৃদ্ধিৰ আঁচনি, পঁষ্ট মেট্ৰিক জলপানি, চাহ জনজাতি সম্প্ৰদায়ৰ ৫০% ছাত্ৰ-ছাত্ৰী থকা বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানলৈ চৰকাৰী সাহায্য, চাহ জনজাতি সম্প্ৰদায়ৰ কল্যাণৰ হকে কাম কৰা বেচৰকাৰী সংস্থালৈ বিত্তীয় সাহায্য প্ৰদান, শিক্ষামূলক ভ্ৰমণৰ আঁচনি। বহুদেশীয় প্ৰতিষ্ঠান (BOSCH)ৰ সহযোগত নিৰ্মাণ সম্পৰ্কীয় বিভিন্নধৰণৰ বিশেষ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। চৰকাৰী খণ্ডৰ লগতে



উদ্যোগিক প্ৰতিষ্ঠানত নিয়োজিত হোৱা আৰু স্ব-নিয়োজিত হ'ব পৰাকৈ যুৱ সমাজক উৎসাহিত কৰাৰ বাবে কাৰিকৰী তথা দক্ষতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন স্থানত পঞ্চাশটা দক্ষতা বৃদ্ধি প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ লোৱা হৈছে। প্ৰশাসনিক অভিযান্ত্ৰিক, ব্যৱস্থাপনা, চিকিৎসা বিজ্ঞান, গৱেষণা আদিৰ দৰে ক্ষেত্ৰসমূহত যোগ্যছাত্ৰ-ছাত্ৰী সকলক উচ্চ শিক্ষা লাভৰ অনুদান দিয়াৰ বাবে এখন আঁচনি হাতত লোৱা হৈছে।ক্ৰীড়া প্ৰশিক্ষণ আৰু যুৱ বিনিময় আঁচনিৰ দ্বাৰা যুৱক সকলক ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত তুলি ধৰা হৈছে।

**সংখ্যালঘু কল্যাণ ঃ**

সংখ্যালঘুসকলৰ কল্যাণৰ বাবে মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চৰঅঞ্চলত বসবাস কৰি থকা জনসাধাৰণৰ অৰ্থনৈতিক উন্নয়নৰ বাবে বিভিন্ন আঁচনি ৰূপায়ণ কৰি থকা হৈছে। এনে আঁচনিসমূহ কৃষি, কুটীৰ শিল্প আৰু শিক্ষা খণ্ডত গ্ৰহণ কৰা হৈছে। ২০১০-১১ চনত ৪,১১৪ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ প্ৰৱেশিকোত্তৰ জলপানি আৰু ২,১৭৭ গৰাকীলৈ মেৰিট-কাম-মিন্‌ছ জলপানি আগবঢ়োৱা হৈছে। অসম বিকাশ যোজনাৰ অধীনত চৰ এলেকাৰ লোকসকলক পাৱাৰ টিলাৰ, পাৱাৰ পাম্প আৰু স্প্ৰেয়াৰ মেচিন যোগান ধৰা হৈছে। সংখ্যালঘুসকলৰ কল্যাণ তথা উন্নয়নৰ বাবে অসম সংখ্যালঘু উন্নয়ন বোৰ্ডে বিভিন্ন আঁচনি ৰূপায়িত কৰি আছে। অসম সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগম লিমিটেডেও সংখ্যালঘুসকলৰ মাজত ঋণ প্ৰদান কৰাৰ উপৰিও উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণ কৰি আছে। কেন্দ্ৰীয়ভাৱে সাহায্য প্ৰাপ্ত বহুখণ্ডীয় জিলা উন্নয়ন পৰিকল্পনা (MSDP)আঁচনিখন অসমৰ সংখ্যালঘু অধ্যুষিত, ১৩খন জিলাত ৰূপায়ণ কৰা হৈছে আৰু ইয়াৰ বাবে একাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত ৭০৩.৫০ কোটি টকা আবণ্টন দিয়া হৈছে। ৰাজ্যত অসম ৰাজ্যিক সংখ্যালঘু আয়োগ খনেও কাম-কাজ চলাই আছে। অসম ভাষিক সংখ্যালঘু উন্নয়ন বোৰ্ড খনেও কাম-কাজ চলাই আছে আৰু ভাষিক সংখ্যালঘুসকলৰ প্ৰয়োজনসমূহ নিৰসন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি আছে।

**পৰ্যটন ঃ**

অসমৰ অৰ্থনীতিক লক্ষণীয়ভাৱে বৃদ্ধি কৰাৰ ক্ষেত্ৰত ৰাজ্যৰ পৰ্যটন খণ্ডৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। মোৰ চৰকাৰে পৰ্যটন খণ্ডৰ আন্তঃগাঁথনি সৃষ্টি কৰা, উপাৰ্জন

মুখী পৰ্যটন সম্বন্ধীয় কাম-কাজৰ বৃদ্ধি আৰু অসমৰ পৰ্যটনৰ সম্ভাৱনীয়তাসমূহৰ বিপণন আৰু প্ৰোৎসাহনৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য, সংৰক্ষিত বনাঞ্চল আৰু পক্ষী অভয়াৰণ্য সমূহক সংলগ্ন কৰি অসমত এটা মেগা ৱাইল্ডলাইফ চাৰ্কিট গঠন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। আন এটা চাৰ্কিটৰ দ্বাৰা চিৰাং, বৰপেটা, নলবাৰী, গুৱাহাটী, মৰিগাও, নগাওঁ আৰু শোণিতপুৰ জিলাৰ উল্লেখযোগ্য পৰ্যটন স্থলীসমূহক সামৰি লবলৈ প্ৰস্তাৱ কৰা হৈছে। ডিব্ৰুগড় জিলাৰ চাহনি মেৰবিল ইকটুৰিজিম প্ৰকল্প আৰু গুৱাহাটীৰ দীপৰ বিল প্ৰকল্পৰ দ্বাৰা পৰ্যটন লক্ষ্যস্থানৰ উন্নয়নৰ বাবে প্ৰস্তাৱ কৰা হৈছে। ব্ৰহ্মপুত্ৰ নৈৰ উল্লেখযোগ্য স্থানত কেইবাটাও ঘাট আৰু জেটিছৰ বিকাশ সাধন কৰিব খোজা হৈছে। ব্ৰহ্মপুত্ৰ নৈত কেটামাৰাণ সেৱা প্ৰৱৰ্ত্তন কৰিব খোজা হৈছে আৰু অতি সোনকালে যুটীয়া খণ্ডত বিলাসী জাহাজেৰে ভ্ৰমণ সেৱা আৰম্ভ কৰা হ'ব। ব্ৰহ্মপুত্ৰ বুকুত বৰফুকনৰ ৩০ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্ত্তি স্থাপনৰ কাম আগ বাঢ়িছে। গ্ৰাম্য পৰ্য্যটনৰ উন্নয়নৰ হকে গাঁৱত থকাৰ সুবিধা উপলব্ধ কৰিবলৈ নিৰ্ব্বাচিত গ্ৰাম আৱাস নিৰ্মাণৰ লেখীয়া এখন নতুন উদ্ভাৱনী আঁচনি হাতত লোৱা হৈছে।

**সাংস্কৃতিক পৰিক্ৰমা ঃ**

অসমৰ চহকী আৰু বৈচিত্ৰ্যময় সংস্কৃতি বিকাশৰ বাবে মোৰ চৰকাৰে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ মহান সমাজ সংস্কাৰক আৰু বুৰঞ্জীৰ বিখ্যাত লোকসকলক বহুলভাৱে পৰিচিত কৰি দিবলৈ বহুতো আঁচনি লোৱা হৈছে। এই আঁচনি সমূহ হ'ল। বৰদোৱাত সতী ৰাধিকা সাংস্কৃতিক প্ৰকল্প, গোলাঘাটত সতী সাধিনী সাংস্কৃতিক প্ৰকল্প, তিনচুকীয়াত অনিৰুদ্ধ দেৱ সাংস্কৃতি প্ৰকল্প, নাৰায়ণপুৰত মাধৱদেৱ কলাক্ষেত্ৰ, চাপৰত শৰৎ সিংহ স্মৃতি সাংস্কৃতিক প্ৰকল্প স্থাপন আৰু শিৱসাগৰত আজানপীৰ দৰগাহৰ উন্নয়ন সাধন। চাংসাৰীৰ ওচৰৰ চিলাত আঞ্চলিক চৰকাৰী ফিল্ম আৰু টেলিভিচন ইন্সটিটিউটৰ এটা নতুন কেম্পাচ স্থাপন কৰা হৈছেআৰু গোলাঘাট, চন্দ্ৰপুৰ, মুকালমুৱা, পাঠশালা আৰু চিপাঝাৰত পাঁচটা জ্যোতি-বিষ্ণু প্ৰকল্প স্থাপন কৰিবলৈ লোৱা হৈছে। জ্যোতি-বিষ্ণু সাংস্কৃতিক বিশ্ববিদ্যালয়, অসম সংগীত নাটক একাডেমী আৰু নাটকৰ ৰাজ্যিক প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱো লোৱা হৈছে। এটা ৰাজ্যিক কেন্দ্ৰীয় পুথিভঁড়াল স্থাপনৰ প্ৰস্তাৱো লোৱা হৈছে। গুৱাহাটী, মঙ্গলদৈ, তেজপুৰ, বৰপেটা, হাইলাকান্দি, নগাওঁ, ডিব্ৰুগড়, যোৰহাট আৰু গোলাঘাটত থকা নটা জিলা পুথিভঁড়ালৰ আধুনিকীকৰণৰ কাম আগবাঢ়ি আছে।



**চহৰ উন্নয়ন ঃ**

অসমৰ সৰু আৰু মজলীয়া চহৰবোৰত নগৰীয়া আন্তঃগাঁথনি আৰু সা-সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে মোৰ চৰকাৰখনে বিভিন্ন আঁচনি হাতত লৈছে। সৰু আৰু মজলীয়া চহৰবোৰৰ কাৰণে নগৰীয়া আন্তঃ গাঁথনি উন্নয়ন আঁচনি, অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বাবে থকা ১০% কেন্দ্ৰীয় পুঁজি, সংহত গৃহ আৰু বস্তি এলেকা উন্নয়ন আঁচনি আৰু এককালীন অতিৰিক্ত কেন্দ্ৰীয় সাহায্য আঁচনিৰ অধীনত ইতিমধ্যে ৭০১.৪৯ কোটি টকা অনুমোদন দিয়া হৈছে। এই আঁচনিসমূহ আন্তঃ গাঁথনি সম্পৰ্কীয় প্ৰকল্প যেনে- হ'কাৰ আৰু খুচুৰা বিক্ৰেতাৰ বাবে পুনৰ সংস্থাপন কেন্দ্ৰ, ট্ৰাক আস্থান। বহুমুখী প্ৰকল্পগৃহ, পথ, বৃহৎ নলা-নৰ্দমা, ব্যৱসায়িক কেন্দ্ৰ, বাণিজ্যিক প্ৰকল্প, বিনোদন কেন্দ্ৰ, পানী যোগান প্ৰকল্প, বহু মহলীয়া গাড়ী ৰখা আস্থান আদিৰ লগত জড়িত। ইয়াৰ উপৰিও ১৬ খন চহৰৰ বস্তি অঞ্চলৰ লোকৰ বাবে ৮,৬৬৮ টা ঘৰ নিৰ্মাণ তথা উন্নয়নৰ কামো এই আঁচনি সমূহৰ যোগেদিয়ে কৰা হ'ব।

দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকক দিন হাজিৰা প্ৰদান কৰাৰ লগতে চহৰীয়া নিবনুৱাসকলক কৰ্ম সংস্থাপন প্ৰদান কৰাৰ অৰ্থে কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আঁচনি স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনা ৰূপায়ণ কৰি থকা হৈছে। অসম বিকাশ যোজনাৰ অধীনত পথ নলা সাৰি নিয়া যন্ত্ৰ যোগানৰ বাবে ৩১ খন চহৰীয়া স্থানীয় নিকায়লৈ পুঁজিৰ আবণ্টন দিয়া হৈছে। অসম ৰাজ্যিক গৃহনিৰ্মাণ পৰিষদে আৰ্থিকভাবে দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে জনতা গৃহ নিৰ্মাণ আঁচনি আৰু ৰাজ্যখনৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ বাবে ভাৰতীয়া গৃহ নিৰ্মাণ আঁচনিখন ৰূপায়ণ কৰি আছে। চহৰবাসী লোকলৈ নিৰাপদ খোৱাপানী যোগানৰ বাবে অসম নগৰ পানীযোগান আৰু পয়-প্ৰণালী পৰিষদে হাতত লোৱা ৫৬ খন আঁচনিৰ ভিতৰত ২৬খন আঁচনিৰ সেৱা ইতিমধ্যে সম্পূৰ্ণকৈ অথবা আংশিকভাবে আৰম্ভ হৈছে আৰু চাবুৱা, হাউলী, মাকুম,আমগুৰি আৰু অভয়াপুৰীত এই বছৰতে ৫খন আঁচনি লোৱাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে।

**গুৱাহাটী উন্নয়ন ঃ**

গুৱাহাটীত বিশেষকৈ ইয়াৰ খোৱা পানী যোগান, গোটা পেলনীয়া সামগ্ৰীৰ ব্যৱস্থাপনা, বস্তিগৃহ, ৰাস্তা আৰু নলাখণ্ড আৰু চহৰ পৰিবহনখণ্ডত এক জটিল

চহৰী বুনিয়াদ সৃষ্টিৰ বাবে মোৰ চৰকাৰে কেতবোৰ আঁচনি হাতত লৈছে। গুৱাহাটীৰ পানীযোগান ব্যৱস্থাৰ নাটনিৰ বহুদিনীয়া সমস্যাটো পূৰণৰ বাবে চৰকাৰে কেতবোৰ বৃহৎ যোজনাও হাতত লৈছে। অলপতে জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় চহৰী নবীকৰণ অভিযানৰ অধীনৰ পুঁজিৰে হাতত লোৱা দক্ষিণ–পশ্চিম গুৱাহাটী খোৱাপানী যোগান আঁচনিখনৰ কাম সম্পূৰ্ণ হ'ব। জাপান আন্তৰ্জাতিক সমবায় অভিকৰণৰ পুঁজিৰে হাতত লোৱা দক্ষিণ কেন্দ্ৰীয় গুৱাহাটী পানীযোগান প্ৰকল্পৰ কাম চলি আছে আৰু এছীয় উন্নয়ন বেংকৰ পুঁজিৰ দ্বাৰা হাতত লোৱা দক্ষিণ–পূৱ গুৱাহাটী পানীযোগান আঁচনিৰ কামো শীঘ্ৰে আৰম্ভ হ'ব। যানজটৰ সমস্যা লাঘৱ কৰাৰ অৰ্থে আৰু ৰাজহুৱা পৰিবহনৰ গুণগত মানদণ্ড উন্নত কৰাৰ অৰ্থে পল্টন বজাৰৰ পৰা খানাপাৰালৈ এচীয় উন্নয়নী বেংকৰ সাহায্যত এটা বাছ ৰেপিদ ট্ৰেনজিত পদ্ধতি হাতত লোৱা হৈছে। ফাঁচীবজাৰত থকা পূৰ্বৰ কাৰাগাৰ ভূমিৰ উন্নয়ন আৰু নদীৰ সন্মুখৰ এলেকাৰ উন্নয়ন সাধন তথা আদাবাৰীত থকা বাছ আস্থানৰ উন্নয়নৰ কাম ৰাজহুৱা আৰু ব্যক্তিগত অংশী দাৰিত্বৰে সম্পূৰ্ণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। দীপৰ বিল, শিলসাকো বিল, বৰচলা বিল আৰু সৰুচাল বিলকে আদি কৰি গুৱাহাটীত থকা প্ৰাকৃতিক জলাধাৰ সমূহৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে মোৰ চৰকাৰে ব্যাপক পৰিকল্পনা হাতত লৈছে।

**পৰিবহন ঃ**

অসম ৰাজ্যিক পৰিবহন নিগমে সামাজিক দায়বদ্ধতাৰে ইয়াৰ কাম কাজ কৰি আছে আৰু ভিতৰুৱা তথা দূৰনিৰতীয়া এলেকাসমূহকে আদি কৰি সমগ্ৰ ৰাজ্যখনতে এক দক্ষ বাছ সেৱা আগবঢ়াই আছে। নিগমৰ নিজা ৫৭০খন বাছৰ উপৰিও ১২০০খন ব্যক্তিগত বাছে অসম ৰাজ্যিক পৰিবহন নিগমৰ পাৰ্কিং ইয়াৰ্ড, টিকেট কাউণ্টাৰ, যাত্ৰীৰ অপেক্ষা কোঠা ইত্যাদিৰ নিচিনা আন্তঃগাথনিগত সা–সুবিধা সমূহ গ্ৰহণ কৰি নিগমৰ অধীনত সেৱা আগবঢ়াই আছে। বিগত বৰ্ষত মুখ্যমন্ত্ৰীৰ গ্ৰাম্য সংযোগী আঁচনিৰ অধীনত অসম ৰাজ্যিক পৰিবহন নিগমক ১০০খন নতুন বাছ যোগান ধৰা হৈছে। এই আঁচনিখন যথেষ্ট জনপ্ৰিয় হৈ পৰিছে আৰু চাহিদা পূৰণৰ বাবে চলিত বৰ্ষত অসম বিকাশ যোজনাৰ অধীনত অসম ৰাজ্যিক পৰিবহন নিগমলৈ অতিৰিক্ত ২০০খন বাছ যোগান ধৰাৰ প্ৰস্তাৱ হাতত লোৱা হৈছে। জে এন এন ইউ আৰ এম–ৰ অধীনত যোগান ধৰা ১৮২খন বাছে গুৱাহাটী মহানগৰত সেৱা আগবঢ়াই আছে। যান জটৰ সমস্যা লাঘৱ কৰাৰ অৰ্থে এন এল চি পি আৰ–ৰ অধীনত লাভ কৰা পুঁজিৰে পল্টন



বজাৰত থকা অসম ৰাজ্যিক পৰিবহন নিগমৰ চৌহদত এটা বহুমুখী কাৰ পাৰ্কিং ব্যৱস্থা নিৰ্মাণ কৰিবলৈ লোৱা হৈছে। অহা বছৰ ৩০০খন নতুন বাছ ক্ৰয় কৰিবলৈ আৰু ৪০টা পুৰণি তথা জৰাজীৰ্ণ বাছ–আস্থান আৰু বাছ ৰখা প্ৰাংগনৰ উন্নয়ন সাধনৰ প্ৰস্তাৱ হাতত লোৱা হৈছে।

মোৰ চৰকাৰে এতিয়া আইনসমূহ বলৱৎ কৰা আৰু সজাগতা সৃষ্টিৰ মাধ্যমেৰে পথ সুৰক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ প্ৰদান কৰিছে। চালকসকলক প্ৰশিক্ষণ প্ৰদানৰ প্ৰতি লক্ষ্য ৰাখি কমলপুৰ আৰু চিৰাঙত দুখন চালক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত আভ্যন্তৰীণ জলপৰিবহনে ৯৮ খন ফেৰীৰ সেৱা আগবঢ়াই আছে। গুৱাহাটীত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত 'ৰিভাৰ ক্ৰুইজ' সুবিধাযুক্ত এখন ওপঙা ৰেস্তোৰাঁ নিৰ্মাণেৰে নদী পৰ্যটনক উৎসাহিত কৰা হৈছে। অহা বছৰৰ ভিতৰত ২৮টা ফেৰী সেৱাৰ আন্তঃগাঁথনি উন্নয়ন, ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীত ১০খন 'ৱাটাৰ টেক্সি'ৰ প্ৰৱৰ্তনৰ লগতে পুৰণি যানসমূহৰ নৱীকৰণ আৰু উন্নীতকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে।

**বিজ্ঞান আৰু প্ৰযুক্তি ঃ**

ৰাজ্যত বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নয়ন আৰু বৈজ্ঞানিক মানসিকতাৰ প্ৰসাৰৰ বাবে মোৰ চৰকাৰে উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ২১৯টা উন্নয়ন খণ্ডত ২১৯টা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰই বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাক জনপ্ৰিয় কৰি তুলিছে। গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহত বিজ্ঞান আৰু গণিত শিক্ষাৰ ক্ষেত্ৰত দক্ষতা অনাৰ বাবে ১৩০খন নিৰ্বাচিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২৬০জন বিজ্ঞান আৰু গণিত বিষয়ৰ দক্ষ সহায়কাৰীক নিয়োজিত কৰা হৈছে। ৰাজ্যৰ সকলোবোৰ জিলাতে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস আৰু ৰাষ্ট্ৰীয় প্ৰযুক্তি দিৱস উদ্‌যাপন কৰা হৈছে। যোৰহাট তাৰাকাগৃহ আৰু বিজ্ঞান কেন্দ্ৰৰ নিৰ্মাণৰ কাম প্ৰায় সমাপ্তিৰ পথত আৰু কোকৰাঝাৰ, নলবাৰী আৰু উত্তৰ লক্ষিমপুৰত তাৰকাগৃহ নিৰ্মাণৰ কাম চলি আছে। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সহযোগত সময়মতে বতৰৰ আগজাননী দিবৰ বাবে নিৰ্বাচিত স্থান সমূহত চৈধ্যটা স্বয়ংক্ৰিয় বতৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। অসম শক্তি উন্নয়ন প্ৰাধিকৰণে ৩০,০০০ পৰিয়ালক সামৰি অসমৰ ১৯খন জিলাৰ ৭০০খন গাঁৱত বিদ্যুৎ সংযোগ প্ৰদান কৰিছে।

**তথ্য প্ৰযুক্তি**

প্ৰত্যেকটো উন্নয়ন খণ্ড আৰু মহকুমা সদৰ সমূহক জিলা সদৰৰ সৈতে আৰু অৱশেষত জিলা সদৰৰ পৰা ৰাজ্যিক মুখ্য কাৰ্যালয়লৈ সংযোগ কৰি আছাম ষ্টেট ৱাইড এৰিয়া নেটৱৰ্ক (এ এছ ডব্লিউ এন) স্থাপন কৰিবলৈ লোৱা হৈছে। এতিয়ালৈকে ২৬৪ টা পি অ' পি কাৰ্যক্ষম কৰি তোলা হৈছে। এতিয়া আনুভূমিক সংযোগ ব্যৱস্থা প্ৰদান কৰিবলৈ পদক্ষেপ লোৱা হব যাতে বেলেগ বেলেগ পৰ্যায়ত থকা বিভিন্ন চৰকাৰী কাৰ্যালয়সমূহক এ এচ ডব্লিউ এ এন নেটৱৰ্কত অন্তৰ্ভূক্ত কৰিব পৰা যায়। ৩,৮০০ তকৈয়ো অধিক সাধাৰণ সেৱা কেন্দ্ৰ (চি এছ চি) স্থাপন কৰা হৈছে য'ৰ পৰা গাওঁ আৰু নগৰত বসবাস কৰা লোকসকলক এলানি সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত আই চি টি সেৱা প্ৰদান কৰিবলৈ সমৰ্থ হ'ব। এই বছৰৰ শেষৰফালে ৰাজ্যিক তথ্য কেন্দ্ৰক কাৰ্য্যক্ষম কৰি তোলা হব।

ই ডিষ্ট্ৰিক্ট প্ৰকল্প, যাৰ অধীনত পাইলট ভিত্তিত গোৱালপাৰা আৰু শোণিতপুৰ জিলাত এ এছ ডব্লিউ এ এন আৰু চি এছ চি সুবিধাপ্ৰাপ্ত বৈদ্যুতিন সেৱাৰ ব্যৱস্থা উপলব্ধ কৰা হৈছিল, এতিয়া এই ব্যৱস্থা পৰ্য্যায়ক্ৰমে বাকী থকা আন আন জিলালৈ সম্প্ৰসাৰিত কৰা হ'ব। আছাম অনলাইন প'ৰ্টেল আৰু দি ছেক্ৰেটাৰীয়েট লেজ পেপাৰ অ'ফিচ প্ৰজেক্টটোৰ ৰূপায়ণে অগ্ৰগতি লাভ কৰিছে। এক গ্ৰাম্য আই চি টি জীৱিকা ফ্ৰেমৱৰ্ক হাতত লোৱাৰ প্ৰস্তাৱ লোৱা হৈছে যাৰ অধীনত কৃষক সকলে বতৰ, চলিত বজাৰৰ স্থিতি, ভূমিৰ গুণাগুণ ইত্যাদিৰ বিষয়ে তথ্য লাভ কৰিব পাৰিব। ছাত্ৰ–ছাত্ৰী, শিক্ষক আৰু গৱেষক শ্ৰেণীৰ হিত সাধনৰ অৰ্থে তেওঁলোকক বিভিন্ন জ্ঞান সম্বন্ধীয় তথ্য আগবঢ়োৱাৰ দ্বাৰা এটা ন'লেজ ক্লাউড প্ৰজেক্ট স্থাপন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

**তথ্য আৰু জনসংযোগ**

স্থিৰ অনুভাষ যন্ত্ৰৰ মাধ্যমেৰে চৰকাৰৰ নীতি আৰু কামকাজসমূহ তথা শান্তি আৰু ঐক্যৰ বাণীসমূহ তৃণমূল পৰ্যয়ালৈ লৈ যোৱা হৈছে। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ সাংস্কৃতিক শাখাৰ জৰিয়তে বিভিন্ন বাটৰ নাট পৰিৱেশন কৰি চৰকাৰৰ বিভিন্ন উন্নয়নমূলক আঁচনি তথা শান্তি, একতা, সমন্বয় আৰু ৰাষ্ট্ৰীয় ঐক্য সম্বন্ধে সজাগতা সৃষ্টি কৰা হৈছে। প্ৰত্যেক জিলা মুখ্য কাৰ্যালয়ত আধুনিক তথ্য প্ৰযুক্তি আৰু বৈদ্যুতীন সা–সুবিধাযুক্ত কিতাপ, পত্ৰিকা, বাতৰিকাকত আৰু হাতপুথি থকা তথা ডিজিটেল পুথিভঁৰালসহ তথ্যকেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। লক্ষ্মীনাথ বেজবৰুৱা গণ মাধ্যম আৰু মুদ্ৰণ প্ৰযুক্তি প্ৰতিষ্ঠান স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। সাংবাদিকৰ



বাবে সাংবাদিক চিকিৎসা উন্নয়ন পুঁজি, ভূমি প্ৰদান, গৃহ ঋণৰ ক্ষেত্ৰত ৩% ৰাজসাহায্য আঁচনি আদি বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে।

**পাৰ্বত্য অঞ্চল**

পাৰ্বত্য অঞ্চল উন্নয়নৰ বাবে ডিমা হাচাও আৰু কাৰ্বি আংলঙ জিলাত দুখন স্বায়ত্ত শাসিত পৰিষদে কাম–কাজ চলাই আছে। চলিত বৰ্ষত ৰাজ্যিক পৰিকল্পনা, সংযোজিত পৰিকল্পনা (পাহাৰীয়া অঞ্চল উন্নয়ন কাৰ্যসূচী) আৰু টি এফ চি পুৰস্কাৰৰ অধীনত বিভিন্ন আঁচনিৰ ৰূপায়ণৰ বাবে এই স্বায়ত্ত শাসিত পৰিষদ কেইখনলৈ ৪১৭.৪২ কোটি টকা আৱণ্টন দিয়া হৈছে। ঝুম খেতি অঞ্চলসমূহত জলচ্ছেদ উন্নয়ন প্ৰকল্পৰ বাবে ৮.৫০ কোটি টকা আৱন্টন দিয়া হৈছে আৰু ভাৰতীয় সংবিধানৰ ২৭৫(১) অনুচ্ছেদৰ অধীনত ৭.৫০ কোটি টকা আৱণ্টন দিয়া হৈছে। কৃষি, আন্তঃ গাঁথনি উন্নয়ন কাৰ্যসূচী, স্বাস্থ্য আৰু শিক্ষাক গুৰুত্ব দিবলগীয়া ক্ষেত্ৰ হিচাপে চিহ্নিত কৰা হৈছে। ডিফুত অসম পাৰ্বত্য চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠান স্থাপন কৰা হব। অসমৰ পাৰ্বত্য অঞ্চলত অসম পাৰ্বত্য অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু অসম পাৰ্বত্য বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰো প্ৰস্তাৱ লোৱা হৈছে।

**শক্তি**

ৰাজ্যখনৰ বাসগৃহৰ লগতে উদ্যোগ প্ৰতিষ্ঠানসমূহলৈ প্ৰয়োজনীয় বিদ্যুৎ যোগান ধৰিবলৈ মোৰ চৰকাৰ দায়বদ্ধ। সামগ্ৰিক কাৰিকৰী আৰু বাণিজ্যিক ক্ষতি হ্ৰাস কৰাৰ লগতে প্ৰকল্প বহন উপাদানসমূহ বৃদ্ধিৰ বাবে চৰকাৰখনে বিদ্যুৎ উৎপাদন, সংবহন আৰু বিতৰণৰ দক্ষতা বৃদ্ধিৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিব। এই পদ্ধতি উন্নত কৰাৰ অৰ্থে প্ৰতিষ্ঠানিক গাঁথনিৰ সংস্কাৰ সাধন কৰা হ'ব। ১০০ মেগাৱাট কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্প, ৩৭.২ মেগাৱাট লাকুঁৱা ৱাষ্ট হিট ৰিক'ভাৰী প্ৰকল্প, ৪ মেগাৱাট চম্পামতী ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প কাৰ্যক্ষম হোৱাৰ পিছত ৰাজ্যখনৰ বিদ্যুৎ উৎপাদনৰ হাৰ আৰু বঢ়াবৰ বাবে নতুনকৈ তাপ আৰু জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। ইয়াৰ বাবে মাৰ্ঘেৰিটাত ৫০০ মেগাৱাট তাপ বিদ্যুৎ উৎপাদন প্ৰকল্প আৰু নামনি কপিলীত ১৫০ মেগাৱাট জলবিদ্যুৎ প্ৰকল্প স্থাপনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। নামৰূপ বিকল্প শক্তি প্ৰকল্পৰ কাম খৰতকীয়াকৈ সম্পন্ন কৰ হ'ব। ৰাষ্ট্ৰীয় তাপ শক্তি আয়োগৰ দ্বাৰা বঙাইগাঁৱত স্থাপন কৰি থকা ৭৫০ মেগাৱাট শক্তি প্ৰকল্প আৰু কিলিং নদীত স্থাপন কৰা ২৪০ মেগাৱাট জলবিদ্যুৎ প্ৰকল্পৰ কাম

খৰতকীয়াকৈ সম্পন্ন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা সকলো সহযোগিতা আগবঢ়োৱা হ'ব।

ত্বৰান্বিত শক্তি উন্নয়ন আৰু সংস্কাৰ কাৰ্যসূচী (এ পি ডি আৰ পি), পুনৰ গঠিত এ পি ডি আৰ পি, অপৰিশোধেয় কেন্দ্ৰীয় পুঁজি আঁচনি (এন এল চি পি আৰ) ৰাজীৱ গান্ধী গ্ৰামীন বৈদ্যুতিকৰণ যোজনা (আৰ জি জি ডি ওৱাই) এচীয় উন্নয়ন বেংকৰ পুঁজি অসম বিকাশ যোজনা আৰু মুখ্য মন্ত্ৰীৰ বিদ্যুৎ যোগান আশ্বাস অভিযানৰ অধীনত গ্ৰহণ কৰা এলানি আঁচনিৰ দ্বাৰা অসমত সৰবৰাহ আৰু বিতৰণ নেটৱৰ্কখনক শক্তিশালী কৰা হৈছে। ফলস্বৰূপে আসাম গ্ৰীডৰ সৰবৰাহ আৰু ৰূপান্তৰ সামৰ্থ্য ২০০৫ চনৰ ৭০০ মেগাৱাটৰ পৰা বৰ্ত্তমান ১৪৩৩ মেগাৱাটলৈ বৃদ্ধি পাইছে আৰু বিগত পাঁচ বছৰত এ. টি. আৰু চি.ৰ ক্ষতি ৪২% ৰ পৰা ২৭% লৈ হ্ৰাস পাইছে। আৰ. জি. জি. ভি. ওৱাইৰ অধীনত গ্ৰাম্য বৈদ্যুতিকীকৰণৰ কাম হাতত লোৱা হৈছে আৰু দুৰ্গবিটীয়া তথা সহজে ঢুকি নোপোৱা গাওঁসমূহৰ বাবে সৌৰ শক্তি যোগানৰ এখন আঁচনি ৰূপায়ণ কৰিবলৈ লোৱা হৈছে। বিদ্যুতৰ চোৰাং কাম হ্ৰাস কৰাৰ অৰ্থে আৰু ৰাজহ বৃদ্ধিৰ বাবে নিৰ্বাচিত ১১ কেভি সৰবৰাহক ফ্ৰেনছাইজীসকললৈ হস্তান্তৰ কৰাৰ বাবে ইনপুত বেচ্‌ড ডিষ্ট্ৰিবিউচন ফ্ৰেনছাইজী (আই বি ডি এফ্)আঁচনিখনৰ ৰূপায়ণৰ কাম অব্যাহত ৰখা হব। চলিত বৰ্ষত ১০ লাখটা দাৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ প্ৰতিটো পৰিয়াললৈ বিনামূলীয়াভাবে দুটাকৈ চি. এফ. এল. বাল্ব যোগান ধৰাৰ আঁচনিখন আৰু এক লাখ যোগ্য ছাত্ৰ–ছাত্ৰীক বিনামূলীয়া সৌৰ লেম্প যোগান ধৰাৰ আঁচনিখন সম্পূৰ্ণ হৈ উঠিব।

উদ্যোগ, কৃষি আৰু অসমৰ জনসাধাৰণলৈ পৰ্য্যাপ্ত নিয়োগৰ সুবিধা আৰু জীৱিকা প্ৰদানৰ অৰ্থে অসমত যথেষ্ট বিদ্যুৎ শক্তিৰ প্ৰয়োজন। এই উদ্দেশ্যে নামনি সোৱণশিৰি জল বিদ্যুৎ প্ৰকল্পৰ কাম সম্পূৰ্ণ হোৱাটো আমি বিচাৰো, কিন্তু লগতে ভাৰত চৰকাৰে এই ক্ষেত্ৰত ফলপ্ৰসূ ব্যৱস্থা হাতত লোৱাটো আমি বিচাৰো যাতে নিম্নবাহী এলেকাসমূহ বেয়াকৈ ক্ষতিগ্ৰস্ত নহয়।

**খনি আৰু খনিজ সম্পদ**

ৰাজ্যখনৰ খনিজ সম্পদ সমূহৰ উন্নয়নৰ অৰ্থে চৰকাৰে কেতবোৰ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে। এতিয়ালৈকে চলোৱা ভূ–তাত্ত্বিক অনুসন্ধানৰ ফলত চূনশিল, কয়লা, চীনামাটি, গ্লাচ চেণ্ড, চিলিমিনাইট, গ্ৰেণাইট আৰু লোৰ আকৰ আদি অধিক পৰিমাণে সঞ্চিত হৈ থকাটো ধৰা পৰিছে। বৰ্ত্তমানে কেইবাখনো আঁচনিৰ কামো হাতত লোৱা হৈছে। এইবোৰে ডিমা হাচাও জিলাৰ চূনশিলৰ বিতং উদ্‌ঘাটন, কাৰ্বি আংলঙ জিলা, শিৱসাগৰ, ডিব্ৰুগড় আৰু ধুবুৰী জিলাত জমা কয়লাৰ অনুসন্ধান, কামৰূপ জিলাত জমা লোৰ আকৰৰ অনুসন্ধান আৰু কামৰূপ জিলা আৰু বৃহত্তৰ গুৱাহাটী অঞ্চলত ভূমিজল উৎসৰ জল–ভূতাত্ত্বিক অনুসন্ধান আদিক সামৰিছে। অসম খনিজ উন্নয়ন নিগম পৰিসীমিতে ৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন কোম্পানীৰ সৈতে লগ লাগি ৰাজহুৱা আৰু ব্যক্তিগত অংশীদাৰিত্ব পদ্ধতিৰে দুটা বৃহৎ বিলাতী মাটি প্ৰকল্প স্থাপন কৰিব। বিভিন্ন চৰকাৰী আৰু বে–চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানলৈ খনিজ সামগ্ৰী আৰু পেট্ৰোলিয়াম উদ্‌ঘাটনৰ বাবে উদ্‌ঘাটন অনুজ্ঞাপত্ৰ আৰু খনন পট্টা মঞ্জুৰ কৰা হৈছে। অনুজ্ঞাপত্ৰ প্ৰাপক আৰু পট্টাদাৰ সকলৰ পৰা ৰয়েল্টি, ভাড়া, মাচুল আদিৰ আকাৰত অনাকৰ–ৰাজহ আদায় কৰা হয়।

**শ্ৰম আৰু নিয়োগ**

মোৰ চৰকাৰে যুৱক–যুৱতীসকলৰ বৃত্তিগত দক্ষতাৰ প্ৰশিক্ষণ আৰু তেওঁলোকৰ নিয়োজন যোগ্যতা বৃদ্ধিৰ ওপৰত উচ্চ অগ্ৰাধিকাৰ দিছে। উৎকৰ্ষতা কেন্দ্ৰ আঁচনি আৰু ৰাজহুৱা তথা ব্যক্তিগত অংশীদাৰিত্বৰ আঁচনি নামৰ এই দুখন আঁচনিৰ অধীনত ৰাজ্যখনত থকা ২৮ টা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ২৩ খনক সম্পূৰ্ণৰূপে উন্নীত কৰা হৈছে। কৰ্মসংস্থাপনৰ দক্ষতা সৃষ্টিৰ হ্ৰস্বম্যাদী পাঠ্যক্ৰম প্ৰদানৰ বাবে ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহত ৯৮ টা বিভাগ আৰু ২৩৭ টা মডিউল আৰম্ভ কৰা হৈছে। অসমৰ কাজল গাওঁ, শুক্লাই, বকো, ঘিলামৰা, কৰিমগঞ্জ, লিড়ু আৰু তিতাবৰত সাতখন নতুন ঔদ্যোগিক প্ৰশিক্ষণ স্থাপনৰ পদক্ষেপ লোৱা হৈছে। বহু খণ্ডীয় উন্নয়ন আঁচনিৰ অন্তৰ্গত সংখ্যালঘু কল্যাণৰ বাবে অতিৰিক্ত ১৩ খন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু ১১ টা সামৰি নোলোৱা খণ্ডত ক্ষুদ্ৰ ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। দক্ষতামুখী আঁচনি সমূহ গ্ৰহণ কৰাৰ বাবে এক দক্ষতা উন্নয়ন অভিযান আৰম্ভ কৰা হৈছে। নিৱনুৱা সমস্যা সমাধান কৰিবলৈ এক নিয়োগ সৃষ্টি অভিযান আৰম্ভ কৰা হৈছে আৰু বৰ্ত্তমান পৰ্যন্ত ১০,৩১৯ জন কৰ্মহীন যুৱক–যুৱতীক ফলপ্ৰসু আত্ম–নিয়োগৰ সুবিধা প্ৰদান কৰা হৈছে। শ্ৰমিক সকলৰ অধিকাৰ সুৰক্ষাৰ বাবে আৰু তেওঁলোকে পাবলগীয়া কল্যাণ ভাত্তা সমূহ সুনিশ্চিত কৰাৰ অৰ্থে বহু শ্ৰমিক কল্যাণ আঁচনি বলৱৎ কৰা হৈছে। ভৱন আৰু অন্যান্য নিৰ্মাণ কাৰ্যত জড়িত শ্ৰমিক আইন, ১৯৯৬ৰ অধীনৰ সকলো পঞ্জীয়ণভুক্ত হিতাধিকাৰীৰ সামাজিক সুৰক্ষা প্ৰদানৰ বাবে জনশ্ৰী বীমা যোজনা আৰম্ভ কৰা হৈছে। বিপদসংকুল অথবা বিপদমুক্ত বৃত্তিত শিশু নিযুক্তি প্ৰতিৰোধ কৰিবলৈ শিশু শ্ৰমিক আইন, ১৯৮৬ কঠোৰ ভাৱে কাৰ্যকৰী কৰা হৈছে।

**জলসম্পদ ঃ**

অসমত প্ৰতিবছৰে হৈ থকা বানপানীৰ ধ্বংসলীলা আৰু ভূমি প্লাৱিত কৰাৰ ফলস্বৰূপে ব্যাপক হাৰত ধ্বংসলীলা, উৰ্বৰা ভূমিৰ হ্ৰাস আৰু খহনীয়াৰ ফলত বহুতো ভূমি নোহোৱা হৈছে। ইয়াৰ ভিতৰত বান ব্যৱস্থাপনা কাৰ্যসূচীৰ অধীনত ৭৯৮.২৭ কোটি টকা ব্যয়েৰে হাতত লোৱা ৮৫ খন আঁচনিৰ কাম সম্পূৰ্ণ হোৱাৰ পথত, বান ব্যৱস্থাপনা কাৰ্যসূচীৰ অধীনত ৩৪১.৫৪ কোটি টকা ব্যয় সাপেক্ষ ১৭ খন আঁচনি আৰু নাবাৰ্ড-১৫ ৰ অধীনত ৫০ কোটি টকা ব্যয়েৰে ১৩ খন আঁচনিৰ কাম চলি আছে। ডিব্ৰুগড়, যোৰহাট আৰু পলাশবাৰীত একোটাকৈ উপ-আস্থান স্থাপনেৰে এছিয়ান ডেভেলপমেণ্ট বেংকৰ পুঁজিৰে ৭০০.৯১২ কোটি টকাৰ প্ৰকল্প ব্যয়সাপেক্ষ অসম সংহত বান আৰু নৈৰ পাৰৰ খহনীয়া সংকট ব্যৱস্থাপনা প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। নৈৰ পাৰৰ সুৰক্ষাৰ কাম-কাজত জিঅ'বেগ আৰু জিঅ' টেক্সটাইলৰ ৰূপত জিঅ' চিন্থেটিক সামগ্ৰীসমূহৰ ব্যৱহাৰৰ দৰে বান ব্যৱস্থাপনা কাৰ্যাৱলীৰ উপযুক্ত ৰূপায়ণৰ বাবে বান নিয়ন্ত্ৰণ সম্বন্ধীয় কিছুমান নতুন ধাৰণা গ্ৰহণ কৰা হৈছে। লখিমপুৰ জিলাৰ মাতমৰাত অলপতে কাম সমাপ্ত হোৱা দেশৰ ভিতৰতে এই ধৰণৰ প্ৰথম বৃহৎ প্ৰকল্পটো হৈছে ইয়াৰ এক উদাহৰণ। ডিব্ৰুগড় জিলাৰ ৰহমৰীয়াত চলি থকা সুৰক্ষাজনিত কাম-কাজ সমূহো ইয়াৰ অন্য এক উদাহৰণ।

ব্ৰহ্মপুত্ৰ নদীৰ বান, খহনীয়া আৰু এই ধৰণৰ অন্যান্য সমস্যাসমূহৰ বুজ লোৱাৰ বাবে দূৰ সংবেদী আৰু ভৌগোলিক তথ্য ব্যৱস্থাৰ দৰে শেহতীয়া মহাকাশ প্ৰযুক্তিও গ্ৰহণ কৰা হৈছে। উত্তৰ-পূব জলসম্পদ প্ৰাধিকৰণ (নেওৱা) গঠনৰ কাম হৈ নুঠাৰ বাবে, অসমে সন্মুখীন হোৱা বান আৰু খহনীয়াৰ দৰে জৰুৰী সমস্যাসমূহ মোকাবিলা কৰিব পৰাকৈ মোৰ চৰকাৰে ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ তাৎক্ষণিক উন্নীতকৰণ আৰু শক্তিশালীকৰণ কৰাটো বিচাৰে।

**ক্ৰীড়া আৰু যুৱ-পৰিক্ৰমা ঃ**

মোৰ চৰকাৰে ক্ৰীড়া আন্তঃগাঁথনিৰ উন্নয়ন, প্ৰশিক্ষণ আৰু সা-সঁজুলি প্ৰদান আৰু প্ৰতিযোগিতাৰ আয়োজনেৰে ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰলৈ উৎকৰ্ষতা অনাৰ বাবে বহুবোৰ পদক্ষেপ হাতত লৈছে। লখিমপুৰ, ধেমাজি, নলবাৰী, কৰিমগঞ্জ আৰু শোণিতপুৰ জিলাৰ সদৰৰ লগতে ক্ৰীড়াৰ বাবে আন্তঃগাঁথনিৰ সা-সুবিধা নথকা মহকুমাসমূহতো নতুন ষ্টেডিয়াম নিৰ্মাণৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। ৰাজ্যিক ক্ৰীড়া নীতিৰ আধাৰত গ্ৰহণ



কৰা পঞ্চায়ত যুৱ ক্ৰীড়া আৰু খেল অভিযানৰ অধীনত গাঁও আৰু উন্নয়ন খণ্ডসমূহৰ ক্ৰীড়া ক্ষেত্ৰসমূহ, ক্ৰীড়া আন্তঃগাঁথনি আৰু খেলৰ সা-সুবিধাসমূহৰ উন্নয়ন সাধন কৰিবলৈ লোৱা হৈছে। পঞ্চায়ত যুৱ ক্ৰীড়া আৰু খেল অভিযানৰ অধীনত ২০১১ চনত অনুষ্ঠিত কৰা গ্ৰাম্য ক্ৰীড়া প্ৰতিযোগিতাত এক লাখতকৈও অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল আৰু এই প্ৰতিযোগিতাত পদক লাভ কৰোতাসকলক আৰু অধিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হ'ব। যুৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ছাত্ৰ-ছাত্ৰী আৰু যুৱ কল্যাণৰ বাবে থকা ৰাজ্যিক উপদেষ্টা কমিটিৰ পৃষ্ঠপোষকতাত বিশ্ববিদ্যালয়, জিলা আৰু ৰাজ্যিক ভিত্তিত যুৱ মহোৎসৱ আৰু ছাত্ৰ-ছাত্ৰী মহোৎসৱ পাতিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই কমিটিৰ জৰিয়তে ৰাজ্যখনৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ উৎসাহিত কৰাৰ ব্যৱস্থা কৰিবলৈও প্ৰস্তাৱ লোৱা হৈছে। লক্ষ্মীবাই নেচনেল ইউনিভাৰচিটি অৱ ফিজিকেল এডুকেশ্যনৰ উত্তৰ পূৰ্বাঞ্চলীয় কেন্দ্ৰৰ কাম ইতিমধ্যে গুৱাহাটীত আৰম্ভ কৰা হৈছে। এন চি চি, স্কাউট এণ্ড গাইড আৰু দুঃসাহসিক ক্ৰীড়াৰ বিকাশ ঘটাবৰ বাবে উপযুক্ত পুঁজি ধাৰ্য কৰা হ'ব।

**প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ ঃ**

ৰাজ্যখনৰ প্ৰশাসন যন্ত্ৰটোৰ সংস্কাৰ সাধন আৰু নিকা প্ৰশাসন প্ৰদানৰ বাবে মোৰ চৰকাৰে কেইবাটাও হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী ব্যৱস্থা (বিধান) গ্ৰহণ কৰিছে। স্বচ্ছ, নিকা আৰু ফলপ্ৰসূ প্ৰশাসন লাভৰ বাবে ৰিজাল্ট ফ্ৰেমৱৰ্ক ডকুমেণ্ট গ্ৰহণ কৰা দেশৰ ৰাজ্য সমূহৰ ভিতৰত আমাৰ ৰাজ্যখনো এখন আৰু এই ব্যৱস্থা ফলপ্ৰসূ কৰিবৰ বাবে ইতিমধ্যে দুদিনীয়া কৰ্মশালা এখনো অনুষ্ঠিত কৰা হৈছে। অসমত এক কাৰ্যকৰী সেৱা প্ৰদান ব্যৱস্থা আনিবলৈ এখন লোকসেৱা প্ৰদান বিধেয়ক প্ৰস্তুত কৰি থকা হৈছে। দ্বিতীয় প্ৰশাসনিক সংস্কাৰ আয়োগৰ অনুমোদনাৱলী সমূহ ৰূপায়ণাৰ্থে প্ৰশাসনিক সংস্কাৰৰ এটা ক'ৰ গ্ৰুপে কাম-কাজ চলাই আছে। এটা প্ৰশিক্ষণ নীতিও চূড়ান্ত পৰ্যায়ত আছে যিয়ে প্ৰথমবাৰৰ বাবে চৰকাৰৰ অধীনস্থ ব্যাপক সেৱাসমূহ সামৰি ল'ব। অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ক এখন শীৰ্ষ প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু প্ৰশাসনিক গৱেষণাৰ সংস্থালৈ উন্নীত কৰিবলৈ মোৰ চৰকাৰে এই প্ৰতিষ্ঠানখনক প্ৰশাসনিক স্বতন্ত্ৰতা প্ৰদান কৰিবলৈ প্ৰস্তাৱ লৈছে। এই প্ৰতিষ্ঠানখনে বৰ্ত্তমানে বিষয়াসকলৰ সামৰ্থ্য বৃদ্ধিৰ বাবে বহুতো প্ৰশিক্ষণৰ কাৰ্যসূচী লৈ আছে আৰু অসামৰিক সেৱাৰ বাবে প্ৰাক্-পৰীক্ষাৰ প্ৰশিক্ষণ প্ৰদান কৰি আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা প্ৰতিষ্ঠানৰ পৃষ্ঠপোষকতাৰ অধীনত অসম

প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত এটা ভূমিকম্প আৰু সংকট নিৰাময় কেন্দ্ৰ স্থাপন কৰা হ'ব।

**ৰাজহ ঃ**

তথ্য প্ৰযুক্তিৰ সহায়ত ৰাজহ প্ৰশাসনিক ব্যৱস্থাটোক আধুনিকীকৰণ কৰিবলৈ মোৰ চৰকাৰে কিছু সংখ্যক পদক্ষেপ লৈছে। কামৰূপ (মহানগৰ) আৰু কামৰূপ (গ্ৰাম্য) জিলা দুখনত বৈদ্যুতিন আৰ্হিৰ মোহৰযুক্ত কাগজ পৰ্য্যাপ্ত কৰিবলৈ ২০০৯ চনত ই ষ্টেম্পিঙৰ এক পাইলট প্ৰ'জেক্ট ইতিমধ্যে আৰম্ভ কৰা হৈছে। সমগ্ৰ ৰাজ্যখনতে ই ষ্টেম্পিং ব্যৱস্থা প্ৰসাৰৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। জনসাধাৰণলৈ ক্ষিপ্ৰভাবে পঞ্জীয়নৰ কাম-কাজ আৰু নথিসমূহ প্ৰদানত সহায়ক হোৱাকৈ সকলোবোৰ পঞ্জীয়ন কাৰ্য্যালয়তে ই-পঞ্জীয়ন (ই-ৰেজিষ্টেচন) ব্যৱস্থা প্ৰাৰম্ভণ কৰিবলৈ পদক্ষেপো লৈ থকা হৈছে। ৰাজ্যখনৰ মৌজা কাৰ্য্যালয় সমূহো পৰ্য্যায়ক্ৰমে কম্পিউটাৰকৰণ কৰা হ'ব। মোৰ চৰকাৰে ৫০,০০০ টকালৈকে প্ৰদান কৰা কৃষি ঋণৰ বিপৰীতে টিকট শুল্ক ৰেহাই দিছে যাতে কৃষকসকলে এনে ঋণ সহজে লাভ কৰিবলৈ সক্ষম হয়। সকলোবোৰ আত্মসহায়ক গোটকে টিকট শুল্কৰ পৰা ৰেহাই দিয়া হৈছে যাতে তেওঁলোকে বেংকসমূহৰ পৰা ঋণ লাভ কৰিবলৈ সক্ষম হয়। বে-আইনী কাম ভূমি বেদখলক বাধা প্ৰদান কৰাৰ অৰ্থে অসম ভূমি বেদখল (প্ৰতিৰোধ আইন), ২০১১ খন ২০১১ চনৰ নৱেম্বৰৰ পৰা বলবৎ কৰা হৈছে । গৰা খহনীয়াৰ দ্বাৰা আক্ৰান্ত পৰিয়ালসমূহৰ পুনৰ সংস্থাপন সম্পৰ্কীয় সমস্যা সমাধানৰ অৰ্থে এখন পুনৰ সংস্থাপন প্ৰাধিকৰণ গঠন কৰিবলৈ লোৱা হৈছে। দুৰ্যোগৰ বিৰুদ্ধে প্ৰস্তুত হোৱাৰ অৰ্থে অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এলানি ব্যৱস্থা হাতত লৈছে।

**পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি ঃ**

মোৰ চৰকাৰ চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু প্ৰাদেশিকীকৃত বিদ্যালয়সমূহৰ কৰ্মচাৰী সকললৈ সময়মতে পেঞ্চন প্ৰদানৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। পেঞ্চন সম্পৰ্কীয় বিষয়সমূহ সময়মতে নিষ্পত্তি কৰাটো সুনিশ্চিত কৰিবলৈ ফলপ্ৰসূ ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ বাবে প্ৰশাসনীয় বিভাগসমূহৰ মূল বিষয়া, বিভাগীয় মুৰব্বী বিষয়া আৰু কাৰ্য্যালয় সমূহৰ জিলা মুৰব্বী বিষয়াসকলক পেঞ্চন সম্পৰ্কীয় বিষয়সমূহ সময়মতে প্ৰক্ৰিয়াকৰণ কৰি দাখিল কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। সকলোবোৰ অৱসৰ প্ৰাপ্ত কৰ্মচাৰীৰে পেঞ্চন সম্পৰ্কীয় কাগজ-পত্ৰ পেঞ্চন মঞ্জুৰী কৰ্তৃপক্ষলৈ দাখিল কৰাৰ আগতে উক্ত কৰ্মচাৰী



সকললৈ প্ৰাৰম্ভিক এবছৰৰ বাবে বাধ্যতামূলকভাবে সাময়িক পেঞ্চন নাইবা সাময়িক পৰিয়াল পেঞ্চন আৰু ডি, চি, আৰ, জি প্ৰদান কৰাৰ অৰ্থে সংশ্লিষ্ট সকলোলৈকে নিৰ্দেশ জাৰি কৰা হৈছে।

**আৱকাৰী ঃ**

মোৰ চৰকাৰে অবৈধভাবে প্ৰস্তুত কৰা সুৰা, গাঞ্জা, ভাং আৰু কানি নিষিদ্ধ কৰিবলৈ আইন সমূহ বলবৎ কৰি আছে। ৰাজ্যিক ড্ৰাগচ্ বিৰোধী আৰু নিষিদ্ধকৰণ পৰিষদে জনসাধাৰণৰ মাজত ড্ৰাগচ আৰু অন্যান্য নিচাযুক্ত সামগ্ৰীৰ অপপ্ৰয়োগ আৰু এইচ্ আই ভি এইডচৰ প্ৰতিৰোধ সম্পৰ্কত সজাগতা সৃষ্টি কৰি আছে। যোৰহাট আৰু শিলচৰত দুটা আসক্তি নিৰাময় কেন্দ্ৰই কাম-কাজ চলাই আছে। অসমত আবকাৰী আৰু বিক্ৰী ৰাজহ সংগ্ৰহ বৃদ্ধি কৰিবলৈ সকলোবোৰ পদক্ষেপ লৈ থকা হৈছে। চলিত বৰ্ষৰ ডিচেম্বৰ, ২০১১লৈকে ৫৮৯.৫১ কোটি টকা আবকাৰী ৰাজহ আৰু সুৰাৰ ওপৰত বিক্ৰীকৰ সংগ্ৰহ কৰা হৈছে যিটো সমগ্ৰ বিগত বৰ্ষৰ ৫১৫.৪৮ কোটি টকাৰ সংগ্ৰহতকৈ অধিক।

**বিধায়িনী আৰু ন্যায়িক ঃ**

অসম ৰাজ্যিক ন্যায়িক সেৱা কৰ্তৃপক্ষই লোক আদালত আৰু ন্যায়িক সজাগতা শিবিৰ তথা মধ্যস্থতা শিবিৰ অনুষ্ঠিত কৰি আছে। ৰাষ্ট্ৰীয় আইন বিদ্যালয় আৰু ন্যায়িক একাডেমীৰ অধীনত পাচ বছৰীয়া সংহত আইন পাঠ্যক্ৰমৰ প্ৰথম শৈক্ষিক বৰ্ষ অস্থায়ী ব্যৱস্থাৰে ২০১১ চনৰ চেপ্তেম্বৰৰ পৰা ইতিমধ্যে আৰম্ভ কৰা হৈছে। এই একাডেমীৰ প্ৰথম পৰ্য্যায়ৰ নিৰ্মাণৰ কামৰ বাবে ১০০ কোটি টকাৰ অনুমোদন দিয়া হৈছে আৰু এই বৰ্ষৰ ভিতৰতে নিৰ্মাণৰ কাম আৰম্ভ হ'ব।

**মাননীয় সদস্যসকল, মই** মোৰ চৰকাৰৰ নীতি আৰু কাৰ্য্যসূচীসমূহ আপোনালোকৰ আগত উত্থাপন কৰিলো। উল্লেখিত সকলোবোৰ নীতি আৰু কাৰ্য্যসূচীৰ ৰূপায়ণাৰ্থে সকলো পদক্ষেপ লবলৈ মোৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মই আশা কৰো সদনৰ আলোচনা-বিলোচনাই এই লক্ষ্যপ্ৰাপ্তিত সহায় কৰিব ।

**জয় হিন্দ**

———

২০১২

অসম চৰকাৰী ছপাশালত মুদ্রিত,
গুৱাহাটী-২১